Why should it be sacrificed ? At whose cost this would be sacrificed. These taxes should be recoverred, because we are poor. There should be a rationalised new tax system. The Congress Governmen entrusted the work to study the tax structure of Assam to the Institute of Public Finance, at a cost of Rs. 1 lakh. It is known that the staff of this body are all outsiders. I do not, know how people from outside can have a correct reading of the situation prevailing in our State. I would suggest that our own people should be encouraged to take up such jobs The previous Government under the leadership of Shri S. C. Sinha has specialised in appointing outsiders to different posts. And we have the classic example of appointment of Prof. Duggal in one such post. I would suggest that the local expertise that are available should be utilised for such purposes.

As regards the G. P. level co-operative, these are also a total failure. Of the 665 such societies 42 percent of the members are nominal members. Now Sir, the average capital of these societies are Rs. 18,353. Now each society gives loan at an average rate of Rs. 22,377. This we have to think— if we give a loan of Rs. 22,000 while we have a capital of Rs, 18,000 what will be the position. The other thing is that only 2% of the shareholders are benefitted by the loan. 98% of the cooperative shareholders do not get any facilities. Again out of this 52% of the societies are making loss and their average loss is Rs. 4571 per year. That was the position, during the year 1976-77. In the sectoral allocation for 1978-79 attached to the budget speech we do not see any head on general administration or police administration. But we see allotment of Rs. 112 lakhs for residential buildings and Rs. 75 lakhs for administrative buildings. We have come to know most of these buildings will be given to the police. Sir, we donot grudge the police that they should have comfortable places to live. But this reminds me of a very sad happening in 1974 when the Bodo people launched a movement for Bodo language. On 28th November 1974 the police in Assam were given a political decision and this decision was conveyed by W. T. message and this is the order— No .C/BSS/74/PT/3740-47 dated 20th January, 1974. As ordered by Dy. I. G. (W. R.) vide W. T. No. V/7/A/74/28112-16 dated 20th November 1974 Shri R. C. Dutta Commandant 9th A. P. Bn. C/Kokrajhar has been placed in charge of law and order duty in Kokrajhar subdivision. All necessary instructions will be issued at his end. Please keep him informed of all development from time to time with intimation to this HQ. That on 27th, a week later this was the instruction— Government desire that operations in connection Bodo Sahitya Sabha agitation should be completed within three days. Please report progress otal arrests under MISA, specific cases, raids hideouts and seizure of arms ammunition by W. T on 1/12 morning. Send by messenger list of S. S. B. trained persons arrested for taking part agitation. This is the signal planned in this capital to suppress the citizens. Sir, there are other signals. On 28th, one day later the police instructions were— 'Each one of you will please complete large scale arrests of B. S. S. agitators minimum five hundred during today and tomorrow. Radis and combing must be done both during night and day. Conspirators/abetors must not be left out. Please signal compliance to me at camp Kokrajhar by 30 November morning 8 O'clock. For Disposal and Tiger only. Request please adjust deployments accordingly for maximum arrests. O C.

Bongaigaon to be asked to do the same, In this way 500 people was the allotment of arrest In Assam 35,000 people were arrested, but Government made a statement that hardly a few thousand were arrested. This is how the poice is run, Sir. Now, again there is another message, signal dated 29th November, 1974. 'Complete all combing operations and raids by twelve midnight tonight. No operation/raids to be done after twelve midnight. Signal the number of respective raids/ datewise/ places of raids with number of persons arrested/ released on bail or P.R. and forwarded to custody to.' Now, the most dangerous signal was made on 29th. The signal No. is PC/ KJR/BSS/74/27-33 dated 29th November, 1974, 'For reasons which cannot be disclosed operation must be speeded up and completed withhin 30th November, 1974. Take up systematic and vigorous combing opearation to drag out and arrest know ring leaders, seize arms and ammunition if available and collect information about hid-eouts. Targets should be located and operations should be carried out day and night.' Sir, these are the signals which have gone out from the brain trust of this Congress Government. Sir, this is the situation faced by tribals. Now I should ask the august House why we should not revolt. Sir, another thing about which we have faced difficulty is land. I would give an example which is recorded in a committee meeting by this August House and this is the report of the Sub Committee of Advisory Council for welfare of Scheduled Tribes (Plains) on settlement of land in tribal belts and blocks and of forest land. In Mangaldoi circle there are three tribal blocks having an area of 49,211 B 3 K 9 L. Now quite a lot of land has been alienated from tribals in this Circle. But we were fortunate to have an SDO who was standing beside us; he was not a tribal officer, he was a non tribal officer but when he sought to protect us he was unceremoniously transferred from Mangaldoi at night and that was actively planned by one of the Ministers from our area. Sir, this is the state of things. We have heard that the Shah Commission is taking cases from Assam; there are a number of cases and I would just like to inform the House of only one case in Udalguri. The house of one M. Agarwalla was searched. They had only one big house on land and it was covered by dag No. 161 old. This house was a RCC house, the estimated value of which is Rs.25,000/-. The S.D.O. Civil had on 6th May, 1976 issued a notice asking them to vacate it but they did not do so because this buildding stood on their own patta land. But on 15th July, 1976 when all the member of the family went to Gauhati for Kamakhya darshan, they had left the house under lock and key, the S.D.O. Mangaldoi without giving any further notice demolished the house, razed it to the ground and surprisingly the site was not handed over to any Government authority

but it was handed over to one Congress "Panda". His name is Shri Bir Bahadhur Chetri. These were the things that were happening. I would like to demand an enquiry into such happenings. Sir, many of our friends have spoken about class war. We do not have any class, we represent the havenots. This class war began as an outcry against the dark satanic meals of evry capitalism, a shuddering reaction against the profound upheavals caused by the Industrial Revolution, a reassertion of the utopian dream of the heavenly kingdon on earth. It sprang from obscure clubs, from workers' associations, from garets, libraries, bourgeous parlors and, occassionally, aristocratic salons. It was hounded,

reviled, extoled. It became the most pervasive political ideology or slogan of the 20th century. Today, self- proclaimed socialists of one variety or another rule 53 of the world's soverign states, controlling 39% of its territory and 42% of its population, by people who advocate Socialism or to be frank Communism. Such numbers alone can be misleading for societies calling themselves socialist include western-style democracies and repressive communist dictatorship, constitutional republics and hereditary monarchies.

Shri BANESWAR SAIKIA : Will the Hon'ble Member please enlighten us whether he speaks of Socialism which is wedded to gold or whether he is a votary of American capitalism ?

Shri BENOY KUMAR BASUMATARY : I am not a votary of any class. We have certain problems which which are peculiar to us. There are friends who are speaking about us, and we thank them, but they should also consider what we think about us. I hope my friends will not take it otherwise.

Shri NAREN DUTTA : So long there are haves and have not class struggle will remain.

Shri BENOY KUMAR BASUMATARI : I Just want to make it plain that local solution to local tribal problem must be found out. I do not want to castigate either Congress or socialism. I just want to say that our problems will have to be solved here in this House, in India itself and not from outside.

Shri ABDUS SUBHAN : Mr. Speaker, Sir, we are very happy that in Assam as well as in India new Governments have been formed. But I am sorry to say that the activities of the new Government at the very outset is not very convincing. There is a saying in English "Morning shows the day" I have doubts how long the Government will be functioning in the right line. Sir, according to our Islamic phylosophy one should not speak of anything which he cannot acctually do. I would like to request the new Goverment that they should not be extermely cheerful in exhibiting thier activities. Failure is the pillar of success. In some respects Congress has failed. They should not be ashamed for their failure. (interruptions) I would request the Hon'ble Members not to interrupt me while I am speaking. I think there are certain rules of procedures of this House. We should follow the procedures laid down. I would like to request my friends in the Treasury Bench to remember about the circumstances under which they had to function.

Mr. DEPUTY SPEAKER—Order, Order. The Hon'ble Membes will resume his speech after lunch. The House stands adjourned till 2.30 P.M.

After Lunch

Mr. SPEAKER—I have to announce the result of election to the Committee on Public Accounts. The number of candidates being equal to the number of Members to be elected the followings members have been declared elected unanimously to the Public Accounts Committee :—

1. Shri Abdul Latif,
2. Shri Mohammed Azad Ali,
3. Shri Nagen Sarma,
4. Shri Tarini Mohan Barua,
5. Shri Shanti Ranjan Dasgupta,
6. Shri Hemen Das,
7. Shri Golok Rajbonshi,
8. Shri Promode Ch. Gogoi,
9. Shri Premadhar Bora,

And in pursuance of sub-rule (I) of Rule 198 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly, I appoint Shri Hemen Das, MLA to be Chairman of the said Committee.

The newly constituted Committee will function with effect from 4th April, 1978."

(2) I have to announce the result of election to the Committee on Eastimates. The number of Candidates being equal to the number of Members to be elected, the followings members have been declared elected unanimoutly to the Estimates Committee :—

1. Shri Altaf Hossain Mazumder,
2. Shri Bilton G. Momin,
3. Shri Jibon Bora,
4. Shri Bhadheswar Gogoi,
5. Shri Umesh Chandra Das,
6. Shri Birendra Nath Choudhury,
7. Shri Atul Ghandra Goswami,
8. Shri Shamsul Huda,

9. Shri Rameshwar Dhanwar,

10. Shri Abdul Muqtadir Choudhury,

11. Shri Ramesh Chandra Saharia.

And in pursuance of sub-rule (I) of Rule, 198 of the Rules of of Prccedure and Conduct of Bussiness in the Assam Legislative Assembly, I appoint Shri Altaf Hossain Mazumder, MLA to be the Chairman of the said Committee :—

The newly constituted Committee will func ion with effect from today, the 4th April, 1978 for period of Tnirty months."

(3) I have to announce the result of elect'on to the Committee on public Undertakings. The number of candidates being equal to the eumb r of members to be elected, the following members have been declared elected unanimously to the Committee on Pub ic Undertakings:—

1. Shri Fakrul Islam,

2. Shri Ajoy Kumar Dutta,

3. Shri Kiron Chandra Bezbaruah.

4. Dr. Tarini Charan Das,

5. Shri Padam Bahadhur Chouhan,

6. Shri Khagen Barbaruah,

7. Shri Ibrahim Ali,

8. Shri Joy Chandra Nagbongshi,

9. Shri Gisasuddin Ahmed,

And in pursuance of sub-rule (I) of Rule 198 of the Rules of Procedure and Conduct of Bussiness in Assam Legislative Assembly, I appoint Shri Kiron Chandra Bezbaruah, MLA to be the Chairman of the said Committee.

The newly constitu'ed committee will function for a period of 30 months with effect from 4th April, 1978.

(4) I have to anounce the result of election to the Committee on Welfare of Scheduled Castes and Scheduled Tribes. The number of candidates being equal to the number of Members to be elected the following memembers have been declared elected unanimously to the Committee on Welfare of Scheduled Caste and Scheduled Tribes :—

1. Shri Padmalochan Boro,

2. Shri Purna Chandra Borah,

3. Shri Giridhar Thengal,

4. Shri Ranendra Basumatari,

5. Shri Prasad Chandra Dolai,

6. Shri Sisir Ranjan Das,

7. Shri Panchanan Brahma,

8. Shri Binoy Kumar Basumatari,

9. Shri Robindra Nath Choudhury,

10. Shri Chak Bal Kagyung,

11. Shri Baliram Das,

And in pursuance of sub-rule (I) of Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Robindra Nath Choudhury, MLA to be the Chairman of the said Committee.

The newly constituted Committee will function with effect from 4th April, 1978.

(5) In exercise of the powers conferred by Rule 246 of Rules of Procedure and Conduct of Bnsiness in Assam Legislative Assembl y I hereby nominate the following members to constitute the Committee of Privileges:--

1. Shri Seikh Chand Mahammed (Deputy Speaker),
2. Shri Dulal Chandra Barua, Minister, Parliamentary Affairs.
3. Shri Mahammed Idris,
4. Shri Kiron Chandra Bezbarua,
5. Shri A. N. Akram] Hussain,
6. Shri Narendra Nath Dutta,,
7. Shri Rabindra Nath Malakar.

And in pursuance of sub-rule (1) of the Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby appoint Shri Seikh Chand Mahammad, Deputy Speaker as the Charman ol the committee of Privileges.

The newly constituted Committee will function for a term of one year with effect from 4.4.78."

(6) I hereby nominate the following members of the Assam Legislative Assembly to constitute the Employment Review Committee

1. Shri Nagen Barua,
2. Shri Ramesh Das,
3. Shri Kamal Chandra Basumatari,
4. Shri Kazi Kutub Uddin Amed,
5. Shri Dileswar Tanti,
6. Shri Mahius Tudu,
7. Shri Noorul Huda,
8. Shri Abdul Sobhan,
9. Shri Promode Gogoi.

And I appoint Shri Nagen Barua, member of the Assembly as the Chairman of the said Committee. The duration of the Committee will be for the whole life of the Sixth Assembly and the Committee will function with effect from 4.4.78.

(7) I have to announce the result of election to the Assam Road Communication Board. The number of candidates being equal to the number of Members to be elected, the following members have been declared elected unamimously to the Assam Road Communication Board:—

1. Shri Devanada Bora,
2. Shri Afazuddin Ahmed,
3. Shri Golok Kakati,
4. Shri Gourishanker Roy,
5. Shri Kaliram Deka Raja
6. Shri Dewan Joynal Abedin,
7. Shri Altaf Hossain Mazumdar,
8. Shri Nagen Barua,
9. Shri Panchanan Brahma,
10. Shri Jnan Gogoi,
11. Shri Bhadreswar Gogoi.

12. Shri Madhab Rajbongshi,

13. Shri Padam Bahadur Chouhan,

14. Shri Hiteswar Saikia,

15. Shri Ramendra De,

16. Shri A. N. Akram Hussain,

17. Shri Ibrahim Ali,

18. Shri Mujamil Ali Choudhury,

19. Shri Mathura Mohan Sinha,

20. Shri Lakshya Nath Doley.

(8) I have to announce the result of the election to the Board of Management of Assam Agricultural University. The number of candidates being equal to the number of members to be elected, the following members have been declared elected unanimously to the Board of Management of Assam Agricultural University:—

1. Shri Devananda Bora,

2. Shri Gajen Tanti,

3. Shri (Dr.) Tarini Mohan Barooa.

(9) I have to announce the result of election to the Assam State Housing Board. The number of candidates being equal to the number of members to be elected, the following members have been declared elected unanimously to the Assam State Housing Board :—

1. Shri Kul Bahadur Cetri,

2. Shri Harendra Goswami,

3: Shri Pratap Kalita.

(10) I have io announce the result of election to the Assam Town and Country Planning Advisory Council. The number of candidates being equal to the number of members to be elected, the following members have been declared elected unanimously to the Assam Town and Country Planning Advisory Council :—

1. Shri Dipak Moormoo.

2. Shri Golok Kakati.

3. Shri Purna Boro.

Shri BIRESH MISRA—Sir. for Assam State Road Communication Board, I filed my nomination, but I did not hear my name though it is said that it is unanimously accepted. I like to be apprised of the situation.

Mr. SPEAKER—We will examine this.

Shri PHANI MEDHI- I had submitted my nomination for Assam Agricultural University (Board of Management); later on it was decided amongst ourselves with Minister, Parliamentary Affairs and I withdraw my nomination for that with the hope that I would be included in the Assam Road Communication Board and Employment Review Committee. But I do not find my name here.

Shri DULAL CHANDRA BARUA (Minister)—Now here your name is there?

Mr. SPEAKER—If there is any clerical mistake we shall look into it.

Shri DULAL CHANDRA BARUA (Minister)—We have placed these things at their disposal. I think, his name should have been there.

Shri BIRESH MISRA—That was done on the basis of an agreement accordingly I filed my nomination; perhaps I may miss it, but I have not heard my name here.

## GENERAL DISCUSSION ON THE BUDGET

*Shri ABDUS SUBHAN—Mr. Speaker, Sir, I have gone through the budget speech made by the Hon'le Finance Minister, Shri K. C. Gogoi. There it has been mentioned that the tution fees for students upto class X will be exempted. Sir, I do not think this is very justified because it embraces everyone-whether he is rich or poor, whether he has the capacity to pay the titution fees or not. A student who has the capacity to pay the tution fees or a student who is rich should not be exempted from paying his tution fees. Bvt yet if this is done then I am sure the Government will have to suffer.

Then there is also mention about exemption of land revenue from these who have 10 bighas of land. Sir, there are many well-to-do families or monied persons having 10 bighas of land and what may be the justification to exempt them from paying the land revenue? Sir, I do not have anything against this new Ministry but as a responsible citizen of this conntry I have every right to express my views for the development of our state. I am not concerned with whoever be in the rulling party but I would certainly want to see that the people of Assam live in peace and prosperity.

Mention has also been made regarding Education and some allocation has been made but there is no clear cut line of action for the future. Some mention has, of course, been made regarding L. P. School but there is no mention regading Higher Secondary Schools, regarding Colleges, regarding Universities. Does the new ministry think that there

is no University no Higher Seconcary Schools and no colleges in our State. Sir, I myself being a College Teaeher I can say with emphasis that the Education Department in Assam was kept completely neglected by our previous Government and it is being neglected from the very beginning by the new Janeta Government. Sir, in the University research facilities in all the departments do not exist. In many Colleges 'Hohours' facilties do not exist, as a result the students coming out from these colleges cannot compete in the field of services because they did not have 'Honours'. Mr. Speaker, Sir, through you I would request the newly formed Janata Government to take necessary action in this regard.

Mr. Speaker, Sir, as you are aware, more or less 80% of our people live in the village areas and you also know that those people living in the village areas are mostly neglected. Their condition is deplorable. During the months of March, April, May and June they live in pathetic condition but I do not find any mention in the budget speech about them. I would request the Government through you to see that the people in the village areas get the succour when they need it.

Sir, Assam becomes flood affected during the rainy season. Every year flood creates disturbance in one part of the state or other and the condition of the villages become deplorable but there is no mention in the budget speech that these people in the villages will be helped bp the Government during the flood season.

Mr. Speaker, Sir, mention has been made in the budget speech about the flood control measures to be taken up in the Brahmaputra and the Barak valleys. But there are so many other small rivers which cause flood inundating huge rural areas. The newly formed Janata Government has lost sight of it. Therefore, I would like to draw the attention of the Janata Government to this fact. Next, Sir, about communication, no clear cut explantion has been given in the budget. I would request the newly formed Janata Government through you, Sir, to give proper attention to the communication system so that interior and remote areas can be linked with the rest of the developed areas. (bell rang). Another thing, Sir, I would like to point out here, that Treaaury benches are often seen criticising the activities of the previous Congress Government. Not only that, Sir, Opposition benches are also seen criticising and cutting jokes in the house with the Janata Government and its members. To my mind this sort of criticism and counter-criticism should be avoided as far as practicable, so that healthy atmosphere in the House is created for the development of our State. With these words, Sir, I resume my seat. Thank you.

Shri BIRESH MISRA—The hon. member who has just concluded his speech, has referred to the fact that he was a teacher in a college or school. May I know on what subject he was a teacher ?

Shri ABDUL SUBHAN—The subject which I used to teach, nobody can compete with me.

*শ্ৰীকুল বাদুৰ চেত্ৰী ঃ—মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান নতুন চৰকাৰে যিটো বাজেট উত্থাপন কৰিছে সেইটো সমৰ্থন কৰি দুষাৰ কথা কব বিচাৰিছো। বৰ্ত্তমান আমাৰ চৰকাৰে দাখিল কৰা বাজেটখন নতুন চৰকাৰে অনিচ্ছা স্বত্বেও ধাৰৰ বোজা বহন কৰিব লগীয়া হৈছে। আৰু সেই ধাৰৰ বোজা লৈ আমাৰ জনতা চৰকাৰে পূৰ্ণৰ কাম কৰিবলৈ বিচাৰিছে।

আমাৰ অসম এখন কৃষি প্ৰধান দেশ আৰু শতকৰা আশী ভাগ মানুহেই খেতিয়ক। এই আশী ভাগ খেতিয়কৰ কাৰণে খেতিৰ ক্ষেত্ৰত কি কি কৰিলে সেই বিষয়ে আমি সকলোৱে জানিব পাৰিছো। আমাৰ বেছিভাগ মানুহেই দুখীয়া ঃ এই দুখীয়া লোকসকলৰ কাৰণে আমাৰ আগৰ চৰকাৰ যথাযথ ব্যৱস্থা কৰিছে বুলি মই নাভাবো। খেতিৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য ঠাইৰ লগত তুলনা কৰি চালে দেখা যাব যে অসমেই এই বিষয়ত সকলোতকৈ পিচপৰা। ইয়াৰ কাৰণ হল—বিশেষকৈ জলসিঞ্চনৰ বিষয়ত অসম একেবাৰে নগন্য। এই কথা বাজেটত ভালদৰে প্ৰকাশ পাইছে। গতিকে আমি যদি খেতিত বেছি জোৰ দিয়া নাযায় তেতিয়াহলে আমাৰ খাদ্যশষ্যৰ বিষয়ত দেশত যিটো অভাৱ অনাটন দেখা দিছে—এইটো ভৱিষ্যতৰ কাৰণে দকৈ চিন্তা কৰিব লগীয়া হৈছে। খেতিৰ পাছতে আৰু এটা সমস্যাই আমাৰ দেশত দেখা দিছে—সেইটো হল বানপানীৰ সমস্যা। জুন মাহ সোমোৱাৰ লগে লগে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বানপানীৰ সমস্যাই বিয়পি পৰে। সেই সময়ত বাৰ্তাৰ কাকত আৰু ৰেডিঅ'ত প্ৰধানকৈ অসমৰ বানপানীৰ সমস্যাই প্ৰথম স্থান পায়। এই বানপানীৰ সমস্যা সমাধাণৰ কাৰণে কোনো স্থায়ী ব্যৱস্হা আমাৰ আগৰ চৰকাৰে কৰিব নোৱাৰিলে। আমি আশা ৰাখিছো আমাৰ জনতা চৰকাৰে এই বিষয়ে নিশ্চয় স্থায়ী ব্যৱস্থা কৰাৰ কাৰণে আচনি গ্ৰহণ কৰিব।

তাৰ পাছত আমাৰ দেশত নিবনুৱা সমস্যাই এটা জটিল সমস্যাৰূপে দেখা দিছে। এই নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট দায়িত্ব বহণ কৰিব লগা হৈছে। সিদিনাখন কোৱা হৈছে যে আমাৰ ৰাজ্যৰ ধনৰ ভৰাল উদং হৈছে—তেনেক্ষেত্ৰত জনতা চৰকাৰে চিন্তাৰে আৰু চিন্তাশীল ভাবে কাম কৰিব লগীয়া হৈছে। বিশেষকৈ উজনি অসমত বুঢ়ী দিহিং নদীৰ বানপানীয়ে যি গতিত চলিছে সেইটো টিৰাপৰ পৰা আৰম্ভ কৰি দিহিংমুখ পৰ্য্যন্ত বিস্তৃত এলেকাত বানপানীৰ সৃষ্টি কৰিছে। লগতে এই বানপানীত বিৰাট গৰাখহনীয়া হৈছে। বিশেষকৈ আমাৰ মাৰ্ঘেৰিটা সমষ্টিত এই বানপানীৰ ফলত যিটো গৰাখহনীয়া চলিছে তাৰ ফলত সেই অঞ্চলত যিবিলাক খেতিৰ মাটি আছিল সেই সকলোবিলাক গৰাখহনীয়াত জাহ গৈছে আৰু তাৰ ফলত লাখ লাখ মাটি যোৱাৰ সম্ভাৱনা হৈছে।

দ্বিতীয়তে আমাৰ আগৰ কংগ্ৰেছ চৰকাৰে সময়ত মাৰ্ঘেৰিটা সমষ্টিৰ বিস্তৃত অঞ্চলৰ মানুহে বিশেষকৈ বুঢ়ী দিহিং মৌজাৰ মানুহ আৰু মাকুম মৌজাৰ মানুহে ৩০।৩৫ বছৰ বসবাস কৰিও মাটিৰ মালিকীস্বত্ব নাপালে। এতিয়া সেই বিলাক মানুহলৈ উচ্ছেদৰ নটিচ জাৰি কৰিছে। ২৫ তাৰিখে ইলেকচন —কিন্তু এই নটিচ মাৰ্ঘেৰিটাৰ উপপতি সমাহৰ্ত্তা কাৰ্য্যালয়ৰ পৰা ২২ তাৰিখেই জাৰি কৰিছে।

গতিকে সেই দিন ধৰি আমাৰ খেতিয়কক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে আমি যিটো ভাবিছিলো সেইটোৰ ব্যতিক্ৰম হৈছে। আমি আশা ৰাখিছো জনতা চৰকাৰৰ দিনত এই উচ্ছেদৰ নটিছ বন্ধ কৰি সেই দুখীয়া খেতিয়ক সকলৰ এটা স্থায়ী পট্টন দিয়াৰ ব্যৱস্থা কৰিব। মই ইতিমধ্যে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক এই মৰ্ম্মে অৱগত কৰিছো আৰু আশা ৰাখিছো আগৰ কংগ্ৰেছ চৰকাৰৰ দৰে মণ্ডলক টকা পইচা মৰাৰ সুবিধা দিয়া বা তেনে ধৰণৰ দুনীতি পৰায়ণ এই দুখীয়া মানুহবিলাকৰ ক্ষেত্ৰত নহয়।

*Speech not corrected

সেই কাৰণে মই আশা ৰাখিছো আমাৰ এই বৰ্দ্ধিদিহিং মৌজা, টিৰাপ মৌজা, লাক্লো গাওঁ ইত্যাদি ঠাইত উচ্ছেদ নোটিচ দিছে। আমি শুনিবলৈ পোৱা মতে নিৰ্ব্বাচনৰ আগতে অৰ্থাৎ ২১-২২ তাৰিখেই চহী কৰি নোটিছ দিয়াৰ ব্যৱস্থা কৰিছিল কিন্তু দুখীয়া মানুহখিনিক উচ্ছেদ কৰাৰ পৰা বন্ধ কৰা হৈছে পোন্ধৰ দিনৰ ভিতৰত। সেইটো বৰ ভাল কথা। শতকৰা দহ ভাগত বিজুলীশক্তি যোগান হোৱা বুলি যদিও কোৱা হৈছে আচলতে কিন্তু আমি অসমৰ চুকে কোণে ঘূৰি চাই দেখিছো যে বিজুলী চাহিদা অনুপাতে দিব পৰা হোৱা নাই। আমি আশা ৰাখিছো যে দুখীয়া মানুহে খেতিৰ সুবিধা পোৱাৰ কাৰণে জনতা চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। দ্বিতীয় কথা হ'ল নিবনুৱা সমস্যা সমাধান কৰা। কৰবাত এটা শিক্ষকৰ পোষ্ট খালি হলেই চাৰি পাচশ দৰ্খাস্ত পৰে। চাকৰি বিচাৰি দৌৰা দৌৰি কৰে। উদ্যোগক্ষেত্ৰত আমি আশা কৰিছো যে নতুন চৰকাৰে অন্ততঃ কিছুমান উদ্যোগ স্থাপন কৰি ৰাইজক কিছু সকাহ দিয়াৰ ব্যৱস্থা কৰিব। আমাৰ মাৰ্ঘেৰিটা সমষ্টিত ১৯৪৪ চনৰ পিচত এইবাৰ ডাঙৰ বানপানী হৈছে। ইয়াৰ কাৰণ হ'ল অৰুণাচল অঞ্চলৰ ন-দিহিং নদীৰ বান্ধ ভাঙি গৈছে। এইটো মই বিভাগীয় মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আশাকৰো এই বান্ধ বান্ধি দিয়াৰ ব্যৱস্থা লব।

অধ্যক্ষ মহোদয়, বাজেটত বহু টকা পইচা ধৰা হৈছে যদিও আমাৰ কিছুমান সমষ্টিৰ কোনো কোনো ঠাইত এখন ঠাইৰ লগত আন খনৰ যোগাযোগ কৰিবলৈ হলে ত্ৰিশ চল্লিশ কিলোমিটাৰ ৰাস্তা ঘূৰিব লাগে, অথচ মাত্ৰ দুই কিলোমিটাৰ ৰাস্তা তৈয়াৰ কৰা হলে ইমান দূৰ ঘূৰিব নালাগিল হেতেন। বৰ্দ্ধিদিহিং মৌজাৰ পেঙেলি অঞ্চলত কোনো কোনো ৰাস্তাত তিনি চাৰি ফুট দ গাত আছে। টকা দিয়া হৈছিল যদিও ঠিকাদাৰে কি কৰিছে আমি জানবলৈ পোৱা নাই। জি,এম,চিৰ গাড়ীৰ বাহিৰে আন গাড়ী চলিব নোৱাৰে। আশা ৰাখিছো জনতা চৰকাৰে সেই বিষয়ত ব্যৱস্থা লব।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত দেখা যায় যে দশম মানলৈকে মাচুল মাফ আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত দিয়া হোৱা নাছিল। আমাৰ কিছুমান সদস্যই কৈছে যে ইয়াৰ দ্বাৰা ধনী সকল উপকৃত হৈছে। আচলতে সেইটোনহয় কিয়নো ধনী দুখী সকলোৰে লৰা ছোৱালী স্কুলত পঢ়ি আছে। প্ৰাইমাৰী স্কুল কিছুমান আছে যিবোৰ আজি পচিশ ত্ৰিশ বছৰ ধৰি চৰকাৰে লোৱা নাই। মই আশা ৰাখিছো বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰিব। ভেন্সাৰ স্কুল বিলাক অতি সোনকালে লোৱাৰ কাৰণে ব্যৱস্থা কৰিবলৈ এই প্ৰসঙ্গতে মই উনুকিয়াই থলো। আমাৰ প্ৰশাসন যন্ত্ৰৰ কথা উল্লেখ কৰা হৈছে কিন্তু কৰ্ম্মচাৰী সকল যেনেকৈ সেইটো কথা নহয়। সেৱাৰ মনোভাবেৰে কৰ্ম্মচাৰী সকলে কাম কৰিবলৈ আগবাঢ়িআহিব লাগিব। বাগান বিলাকৰ অৱস্থা বৰ বেয়া। বাগানৰ মানুহে এতিয়াও শিক্ষাৰ অভাৱত টিপচহী লৈ দৰমহা বা বোনাচ আদি লবলগীয়া হৈ আছে। বাগানৰ গাঁও বিলাকৰ অৱস্থা উন্নত কৰি তেওলোকক শিক্ষাৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাৰ সুবিধা দিব বুলি আমি নতুন জনতা চৰকাৰৰ ওপৰত আশা ৰাখিলো। আগৰ কংগ্ৰেছৰ দিনত চলি থকা অন্যায় বিলাক দূৰ কৰিব বুলি জনতা চৰকাৰৰ ওচৰত আশা ৰাখিলো।

দেশত জৰুৰী অৱস্থা চলাই থকা সময়ত বহুত মানুহক পংগু কৰা হল। বহুতকে আলাই আথানি নোহোৱা কৰা হল। মই আশা ৰাখিছো সেই সকলৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। টকা পইচা বিলাক যি ধৰণে খৰচ কৰা হৈছে আশা ৰাখিছো এতিয়া বিভাগীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ দিহা কৰিব।

অধ্যক্ষ মহোদয়, অতি আচৰিত কথা যে পৰাহি শুনিলো আমাৰ ইয়াত যি অৱলম্বত মানুহে খাবলৈ নাপাই হাহাকাৰ কৰি আছে সাহায্য নাপাই চিঞৰি আছে অথচ টকা খৰচ কৰিব নোৱাৰি ফিৰাই দিয়া হৈছে। মই আশা ৰাখিছো যে জনতা চৰকাৰে এই বিলাক বিষয়ত গুৰুত্ব আৰোপ কৰি তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

প্ৰায় ২।৩ হাজাৰ মানুহ বৰ্চিকৈ ক্ষতিগ্ৰস্ত হল। সেই সকল মানুহৰ গৰু ছাগলী সম্প-ৰ্ণ বানপানীয়ে উটাই লৈ গল। প্ৰায় শতকৰা ৯০ ভাগ মানুহ সেই টিৰাপ আৰু বুঢ়ীদিহীং অঞ্চলৰ বানপানীৰ কবলত পৰি খাবলৈ পিন্ধিবলৈ নাপাই অনাই বনাই ঘুৰি ফুৰিব লগীয়া হৈছে, বানপানীত তেওলোকৰ গৰু মহ ওপঙি ফুৰিল, উপায় বিহীন হৈ হাবাথুৰি খাই খাই তেওলোকে বেংকৰ আৰু তিনিচুকীয়াৰ মহকুমাধিপতিৰ ওচৰ চাপিল, তেওলোকক লোন দিয়া কথা আছিল কিন্তু আজি পৰ্য্যন্ত তেওলোকে কোনো সহায় নাপালে। মই আশা ৰাখিছোঁ নতুন জনতা চৰকাৰে এই মানুহ বিলাকৰ কথা নিশ্চয় চিন্তা কৰিব। মাৰ্ঘেৰিটাৰ নিচিনা সমস্যা অসমৰ আন আন ঠাইতো আছে। মই ভাবো এই মাৰ্ঘেৰিটাত প্ৰোগ্ৰাম নলৈ চৰ্ট টামাৰ নিচিনা কিছুমান হস্ৰম্যাদি আঁচনি লৈ যাতে দুখীয়া মানুহ বিলাকে সহজতে লোন ইত্যাদি পাব পাৰে আৰু তাৰ দ্বাৰা খেতি-বাতি কৰাত বিশেষ সুবিধা পায় সেই বিষয়ে যত্ন লব। মাৰ্ঘেৰিটাত যি খন বজাৰ পুৰনি দিনৰে পৰা সন্দৰকৈ চলি আছে সেই খনৰ মেনেজমেণ্ট কৰাত কোনেও গুৰুত্ব দিয়া নাই, ফলত বজাৰ খনৰ ভিতৰে বাহিৰে অত্যন্ত লেতেৰা হৈ গৈছে, তাত প্ৰেসাৱ শৌচ কৰাৰ কোনো ব্যৱস্থা নাই, কোলমাইন অথৰিটি আৰু পঞ্চায়তে যদিও কিছু তত্বাবধান লয় কিন্তু ভাব অৱস্থা দিনক দিনে বেয়াৰ ফালেহে গৈছে। এই বজাৰখন অৱহেলিত হৈ আছে, সেই কাৰণেই মই আশা ৰাখিছোঁ যাতে সোনকালে এই বজাৰখন উন্নত কৰাৰ কাৰণে নতুন চৰকাৰে ব্যৱস্থা লয়।

(সময়ৰ সংকেত)

মই আৰু অলপ কথা কৈ শেষ কৰিম আমাৰ শতকৰা ৮০ ভাগ মানুহ গাৱত থাকে কিন্তু বাজেটত যিটো টকা ধৰা হৈছে সেই মতে এই গাৱৰ মানুহ খিনিয়ে কিমান খিনি উপকৃত হব সেইটো হে চিন্তা কৰিবলগীয়া।সেইদৰে আজি কেৱল মাৰ্ঘেৰিটাৰ কথাই নহয় অসমৰ সকলো ঠাইতে নিবনুৱা সমস্যা এটা প্ৰধান সমস্যা হৈ পৰিছে। আমি বিভিন্ন ঠাইত এই ধৰণৰ কিছুমান বৃহত আৰু ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰি নিবনুৱা সমস্যা সমাধানৰ পথ বাহিৰ কৰিব পাৰো। যেত মই দুখেৰে কবলগীয়া হৈছোঁ যে আমি আমাৰ দেশৰ পৰা ইংৰাজ খেদিলো হয় কিন্তু ইংৰাজী ভাষাটো আমাৰ দেশৰ পৰা খেদিব নোৱাৰিলো, অসমীয়া ভাষা অসমৰ ৰাজ্যিক ভাষা বুলি কেতিয়াবাই ঘোষণা কৰা হ'ল কিন্তু আজি-লৈকে তাক প্ৰকৃত ভাবে কাৰ্য্যকৰী তৰিব পৰা নগ'ল। মই আশা ৰাখিছোঁ নতুন জনতা চৰকাৰে এই বিষয়ে বিশেষ মনোযোগ দিব।

* শ্ৰীফণী মেধী :—মাননীয় অধ্যক্ষ মহোদয়, জনতা চৰকাৰে যি খন বাজেট আমাৰ আগত ডাঙি ধৰিলে, মই ভাবিছোঁ এই খন বাজেট বোধহয় শতকৰা ৯ জন মানুহৰ কাৰণেহে তৈয়াৰ কৰা হৈছে। অসমত শতকৰা ৯১ জন মানুহ গাঁৱত বাস কৰে, এই শতকৰা ৯১ জন মানুহৰ কাৰণে বাজেটত যি ধৰণে সা-সুবিধা থাকিব লাগিছিল সেই খিনি নাই, ইয়াত বিশেষকৈ শ্ৰমিক, কৃষক আৰু মেহনতী জনসাধাৰণৰ কাৰণে যি ধৰণে ব্যৱস্থা থাকিব লাগিছিল সেই ধৰণৰ কোনো ব্যৱস্থাই ইয়াত দেখা নাপালো। এই খন বাজেটত যি সকল ধনী মানুহ আছে, মাটি গিৰি মানুহ আছে আৰু চহৰ অঞ্চলত যি সকল পুজি পতি মানুহ আছে আৰু যি সকল লোকে শ্ৰমিক আৰু মেহনতী জনতাৰ ওপৰত জীয়াই আছে আৰু এই সাধাৰণ লোকৰ ওপৰত শাসন চলাই আছে সেই সকলেহে

*Speech not corrected

লাভবান হব পাৰিব ।শিল্পৰ ক্ষেত্ৰতো তেনে ধৰণৰ একেই ব্যৱস্হা চলি আছে, এই ক্ষেত্ৰত আমি দেখিছো যি সকল সাম্ৰাজ্যবাদী আৰু আমোলাতান্ত্ৰিক ৰাজ্য আছে আৰু পুজিবাদী লোক আছে সেই সকলকহে ৰক্ষণা বেক্ষণা দিয়া হৈছে। কিন্তু জনতা চৰকাৰে যি ধৰণৰ ভূমিকা লৈছে আমাৰ ৰাজ্যতো তেনে ধৰণৰ ব্যৱস্হা লোৱা যেন অনুমান হয়, পাবলিক ছেক্তৰ আৰু প্ৰাইভেট ছেক্তৰত উদ্যোগৰ কাৰণে বিশেষ মনোযোগ দিছে। আমি বেচি ভাগ ক্ষেত্ৰত দেখিছো যে আজি কেৱল শোষক শ্ৰেণীকহে ৰক্ষণা বেক্ষণা দিয়াৰ কাৰণে ব্যৱস্হা কৰা দেখা যায় কিন্তু শোষিত শ্ৰেণীৰ কাৰণে কোণেও চিন্তা নকৰে। গতিকে আজি এই শোষিত শ্ৰেণীৰ আন কোনো পথ নাই কেৱল তেওলোকৰ এটা মাত্ৰ পথ আছে, সেইটো হল—সংগ্ৰাম, এই সংগ্ৰামৰ দ্বাৰাহে তেওলোকে তেওলোকৰ মুক্তিৰ পথ বাহিৰ কৰিব পাৰে। যোৱা ত্ৰিশ বছৰৰ কংগ্ৰেছ শাসনক এই শোষিত শ্ৰেণীয়ে সংগ্ৰামৰ যোগেদি আতৰাই নতুন চৰকাৰ, সমাজবাদী চৰকাৰ প্ৰতিস্হা কৰিলে যদিও সেই আগৰ শোষক গোষ্ঠিৰ চৰকাৰে ইমান দহলৈশিপা বগালে যে তাক সহজে উঘালি পোৱাতো টান হব। সেয়েহে আজি আমাৰ ইয়াত একসংগ্ৰামৰ ক্ষেত্ৰ প্ৰস্তুত হৈছে আৰু সেই সংগ্ৰামৰ যুদ্ধ ক্ষেত্ৰত মেহনতী আৰু শ্ৰমিক জনতা সংগ্ৰামৰ কাৰণে প্ৰস্তুত হব লাগিব।

আমি যি সকল সংগ্ৰামী বন্ধু বিশেষকৈ শ্ৰমজীৱি জনসাধাৰণৰ প্ৰতিনিধি হিচাবে আহিছো তেওলোকক এই সদনৰ পৰা দিবলৈ একো নাই। এই সদনত আমি বিভিন্ন তৰ্ক বিতৰ্ক বা কথাৰ ফুলজাৰী মাৰিব পাৰো কিন্তু জনসাধাৰণক আমাৰ ফালৰ পৰা দিবলৈ একো নাই। সদনৰ বিতৰ্কতো হয়তো খবৰৰ কাগজত প্ৰেছে দয়া কৰিলে কভাৰেজ দি যাক ভাল পায় তাৰ কৰে হয়তো প্ৰকাশ পাব কিন্তু সদনৰ পৰা ঘুৰিৰ যোৱা সময়ত আমাৰ পকেট শুন্য। তথাপি এই সদনৰ প্ৰতিনিধ হিচাবে নিৰ্বাচিত হৈ আহিছো যেতিয়া মেহনতি জনসাধৰণক বুজাই দিব লাগিব যেএই সদনৰ পৰা পাব লগীয়া একো নাই আৰু জনসাধাৰণে এই কথাটো বুজিব লাগিব। যিখন বাজেট জনতা চৰকাৰে দাঙি ধৰিছে তাত কোনো প্ৰতিশ্ৰুতি নাই। এই বাজেটখন আগৰ কংগ্ৰেছ চৰকাৰৰ লগত কোনো প্ৰাৰ্থক্য নাই—তেপ কৰি থোৱা বস্ত এটা আমোলা সকলে দয়া কৰি প্ৰস্তুত কৰি দিছে—এই বিলাক মাত্ৰ শুণ্য আৱাজ। আমাৰ জনতাৰ মন্ত্ৰী সকলে হাল বাই দেখুৱাইছে কিন্তু মন্ত্ৰী সকলে হাল বোৱাত কিবা যুক্তি আছে জানো, তেওঁলোকে প্ৰশাসন নিকা কৰক। আজিৰ মন্ত্ৰী সকলে দয়াংৰ উচ্ছেদ, ককলাবাৰী, গোৱালপাৰাৰ আয়তেকা অঞ্চলত যেতিয়া কৃষক সকলক উচ্ছেদ কৰিছিল তেতিয়া মাত মাতিছিল কিন্তু আজি মন্ত্ৰী হৈ তেখেত সকলে সেই কথাবিলাক নিশ্চয় পাহৰি গল। তেখেত সকলে এতিয়া এই কথা স্মৰণ কৰক। আজি অসমত শতকৰা ৮০ ভাগেই খেতিয়ক। আগতে এই খেতিয়ক সকলৰ কাৰণে মূল বাজেটৰ পৰা শতকৰা ১৯ ভাগ টকা খৰছ কৰা হৈছিল এতিয়া অৱশ্যে শতকৰা ৩৪ ভাগ খৰছ কৰিব বুলি শুনিছো। কিন্তু আজি কৃষকৰ ক্ৰয়শক্তি কমি গৈছে—তেখেত-সকলৰ অধিকাংশৰে খেতি কৰিবলৈ মাটি নাই। যি সকলে আগতে খেতি কৰি ভাত খাইছিল তেওঁলোক এতিয়া কৃষি বনুৱাত পৰিণত হৈছে। মই ভাবো আমাৰ নতুন জনতা চৰকাৰে বৃদ্ধ খেতিয়ক সকলক পেঞ্চন দিয়াৰ ব্যৱস্হা কৰিব লাগে। যদি কৰ্ম্ম-চাৰী সকলে ৫০ বছৰ হলে তেওঁলোকৰ কলম নচলে গতিকে পেঞ্চন পায় ঠিক তেনেকৈ যি সকল বৃদ্ধ খেতিয়ক খেতি কৰিব নোৱাৰে তেওলোকক পেঞ্চন দিয়াৰ কাৰণে প্ৰস্তাৱ আনিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। কাৰণ এই বৃদ্ধ বয়সত তেওঁলোকৰ লৰা ছোৱালীৰ ভৰণপোষণ এটা সমস্যা হৈ পৰে। আনহাতে কৃষিৰ উৎপাদন ঢাবলৈ হলে এই যুদ্ধ কালিন ব্যৱস্হা চৰকাৰে লবই লাগিব।

তাৰ পিছত ভূমি সংস্কাৰৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত মাত্ৰ দুটা লাইন লিখি থৈ দিছে। তাৰ পিচত আমি দেখিছো মাটি বিতৰণৰ নামত মূখ্য মন্ত্ৰীয়ে নিজৰ চহীত চাৰ্টিফিকেট বিলাইছে। আমি জানো মাটিৰ আবন্টন পাবলৈ উপায়ুক্ত বা উপপ্ৰতি হস্ত-হৰ্ত্তাৰ চাৰ্টিফিকেট লাগে কিন্তু মূখ্য মন্ত্ৰীৰচহী বিলোৱা কথাটো ভূৱা কথা নহয় নে?

আমি দেখিছো আমি গলে ৰাইজে কয় আমি কিয় মাটি নাপাম মুখ্য মন্ত্ৰীয়ে চাৰ্টিফিকেট দিছে। এইটো আগৰ চৰকাৰে জনসাধাৰণৰ ওচৰত নিলজ্য প্ৰশাসন ব্যৱহাৰ ছবি দাঙি ধৰা নাই নে ? গোৱালপাৰা জিলাত ১৯৭৩ চনতে উপায়ুক্তই বিজ্ঞপ্তি দি জনাই দিলে যে মাটি পট্টন এতিয়া দিয়া নহয় কিন্তু মান কাছাৰৰ তেতিয়াৰ বিধান সভাৰ সদস্য ডাঙৰীয়াই লাউখোলা, ফিৰিঙিতোলা আদি ঠাইত ২৭৫ একৰ নদীভংগা মানুহ সকল বহি আছিল তেওলোকে তোজি বাহিৰা দি আছিল কিন্তু উপায়ুক্তৰ চাৰ্কুলাৰ থকা স্বত্বেও ১৯৭৬ চনত সেই গৰীব জনসাধাৰণক উচ্ছেদ কৰি, জোৰ জুলুম কৰি, পুলিচৰ দ্বাৰা এৰেষ্ট কৰাই সেই মাটি বিতৰণ কৰে কংগ্ৰেছৰ কিছুমান দালাৰ নামত আৰু তেওৰ দুজন ভায়েকৰ নামত। শিমলিতোলা নামৰ ঠাই এডোখৰত চৈধ্য শ একৰ মাটিত কিছুমান গৰীব লোকে স্থায়ীভাবে তামোলপানৰ বস্তি কৰি বসবাস কৰি আছিল কিন্তু তেওলোকক উচ্ছেদ কৰি তাত কিছুমান কংগ্ৰেছ ওৱাৰ্কাৰক বহুৱাই দিয়া হল। ভূমি সংস্কাৰৰ নামত আগৰ চৰকাৰে এই বিলাক কাৰবাৰ কৰিছিল। ভূমি সংস্কাৰৰ নামত আজিৰ চৰকাৰে ৰাজ্যপালৰ ভাষণ আৰু বাজেটত যি নমুনা দেখুৱাইছে তাৰ পৰাও একো অংশা কৰিব নোৱাৰো। অৱশ্যে আমাৰ এই মাটি বিলাক যদি জাতীয়কৰণ কৰা হয় তেনেহলে কিছু সাম কাতিব। এই কথা আমাৰ জনতা বিধায়নী দলৰ হৰেণ দেব গোস্বামীয়েও কৈছে যে মাটি বিলাক প্ৰথম জাতীয়কৰণ কৰি তাৰ পিচতহে খেতিয়ক সকলক মাটি পট্টন দিব লাগে আৰু তেতিয়া আৰু মধ্যস্বত্বভোগীৰ বিলুপ্তি হব। আৰু তেতিয়া কাৰো আপত্তি নাথাকিব। আৰ মন্ত্ৰী সভাইঅৰ্থাত শৰত সিংহই যি নমুনা ভূমি সংস্কাৰৰ ক্ষেত্ৰত থৈ গল তাকেই যদি জনতা চৰকাৰেও অনুসৰণ কৰে তাত কৰলৈ নাই।

তাৰ পিচত বানপানীৰ কথাকে কও। প্ৰতিবছৰে বানপানীৰ শিতানত বাজেটৰ পৰা বহুত টকা খৰছ কৰিবলগীয়া হয়। বানপানীৰ নামত ব্ৰহ্মপুত্ৰ ফ্লাড কন্ট্ৰোল কমিচন কৰিলে ১৯৭৪ চনত কিন্তু এতিয়া আকৌ কমিচন নিষ্ক্ৰীয়। এইবিলাক আৰ্চানিৰ কাৰ কাৰণে কিছুমান বগাহাতী পুহি ৰখাইছে। অসমত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ যি নমুনা পোৱা গৈছে ৰাইজেও জানে—প্ৰতি বাৰিষাতে ভীষণ ক্ষতি কৰে ৰাইজেও ভাবে এই বাৰিষাত এই ক্ষতি হল আকৌ বাৰিষা আহিলে বা কি ক্ষতি হয় ? প্ৰতিবছৰে বানপানীৰ কবলত অতি কমেও দহ কোটি টকা ক্ষতি হয়। বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰে সদায়ে কেন্দ্ৰৰ ফালে গৈ ভিক্ষা খুজিব লগীয়া হয়। যদি ১০ কোটি টকা বিছাৰি কেন্দ্ৰলৈ যায় তাৰ বিনিময়ত কেন্দ্ৰই মাত্ৰ দুই কোটিহে দিয়ে।

সেই কাৰণে মই আজি আমাৰ জনতা চৰকাৰক অনুৰোধ কৰিছো যে, প্ৰশাসনিক ব্যৱস্থাৰ লগত আমাৰ জনশক্তিটোক যদি থিক মতে প্ৰয়োগ কৰিব পাৰি তেতিয়াহলে, "চীনৰ চকুলো হোৱাংহো" নদীক যেনেকৈ চীন দেশে নিয়ন্ত্ৰণ কৰিব পাৰিলে তেনেকৈ আমাৰ দেশত সদায়েই ভীবিষিকাৰ সৃষ্টি কৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ নদী-উপনদী বিলাকক নিয়ন্ত্ৰণ কৰিব পৰা যাব। বান নিয়ন্ত্ৰণৰ কাৰণে পুৰণিকলীয়া মানধাতা যুগৰ পদ্ধতিৰে ইঞ্জিনিয়াৰৰ ব্লু-প্ৰিন্টৰ ওপৰতে নিৰ্ভৰ নকৰি নতুন ব্যৱস্থাৰে এই সমস্যা সমাধান কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অকল এই সদনতে 'ইয়েছ, নো' কৰি বাজেটৰ টকা পাছ কৰি নি তিনি লাখেৰে কৰিবলগীয়া কাম একলাখতে সমাপন কৰি বাকী দুই লাখ টকা বিভাগীয় কৰ্ম্মচাৰী আৰু মন্ত্ৰী আদিৰ পকেটস্থ হোৱা অৱস্থাকেই সদায়েই চলিবলৈ সুবিধা দিলেই নহব। বান নিয়ন্ত্ৰণৰ নামত, মঠাউৰি আদি নিৰ্ম্মাণ কৰাৰ নামত এইটোৱেই আজি চলি আছে। ফলত এবাৰ বানতেই এই মঠাউৰি শেষ হৈ যায়। উদাহৰণ স্বৰূপে মই আমাৰ ধুবুৰীৰ প্ৰটেকবন বান্ধৰ কথকে আঙুলিয়াব পাৰো। তাত কেইবাকোটি টকাও খৰছ কৰা বুলি কৈছে যদিও প্ৰকৃততে সেইটো কিন্তু হোৱা নাই।

স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত কওঁ যে, সিদিনাখন এজন বিভাগীয় বিষয়াই কোৱা মতে ৰাজ্যখনত প্ৰায় ১৪০ খন মান হস্পিটাল এনেয়ে পৰি আছে। ঔষধ-পাতি, ঘৰ-দুৱাৰ, ডাক্তৰ আদি একেৰে ব্যৱস্থা তাত নাই। সকলোৱে বেমাৰতে এটোপা নিলা আৰু ৰঙা পানীকেই দি থকা হৈছে। ২৫ পইছাৰ এণ্ট্ৰি ফিজ মাফ দিলে কি হব? কেইলাখ মান টকা চৰকাৰে হেৰুৱাব লগীয়া হব পাৰে কিন্তু ডাক্তৰে যিখন ফৰ্দ্দ ইয়াৰ পিছত ৰোগীক দিব সেইখনে একেবাৰে হাড় ভাঙি পেলাব। মোৰ সমষ্টিতে এনে এটা অঞ্চল আছে যিটোত নাই গড়কাপ্তানী বিভাগৰ ৰাস্তা, নাই হস্পিটাল, নাই কথা নাই বতৰা। এনেকৈয়ে চলি আছে। তাত আছে দুখীয়া খেতি কৰা মুছলমান আৰু অন্যান্য সম্প্ৰদায়ৰ লোক সকল। এখন ভেটেৰীনেৰি হস্পিটাল কৰিছে যদিও সেইখন কৰিছে ১৫।২০ মাইল আতৰত থকা টাউনত। গাঁৱৰ মানুহ বিলাক ১৫।২০ মাইল খোজ কাঢ়ি কেনেকৈ টাউনত গৰুমহৰ চিকিৎসা কৰিবলৈ যাব পাৰে? এইটো একেবাৰেই অসম্ভৱ। গাঁৱৰ মানুহ বিলাকে মহ-ম্ৰাখি খেতি কৰে বুলি আইদিয়া আছেনেকি? যোৱা ৩০ বছৰীয়া কংগ্ৰেছী শাসনে যিখিনি আবৰ্জনা ৰাখি থৈ গৈছে সেই খিনি আজি আমাৰ জনতা চৰকাৰে চাফা কৰিব লাগিব। অৱশ্যে ইমান কম দিনৰ ভিতৰত আমি জনতা চৰকাৰক ইমান সমালোচনাও কৰিব নোৱাৰোঁ। ভৱিষ্যতহে দেখা পোৱা যাব। কিন্তু আমাৰ মাননীয় সদস্য সকলে আজি যিবিলাক পৰামৰ্শ দিছে সেই বিলাক অকল সমালোচনাৰ দৃষ্টি ভঙ্গীৰে চালেই নহব। আমাৰ বাস্তাইঘাতে আজি মানুহে কোৱা মেলা কৰিবলৈ আৰম্ভ কৰিছে যে একোৰে পৰিবৰ্ত্তন হোৱা নাই। জনতা চৰকাৰেও নতুন বটলত পুৰণি মদৰ নিছিনাহে হৈছে। আগৰ কংগ্ৰেছী সকলে যি কাম কৰিছিল এতিয়াও এই জনতা চৰকাৰেও তাৰ নিছিনাহে কাম কৰি আছে। গতিকে এইবিলাক বদনাম আতৰ কৰিবৰ কাৰণে আমাৰ নতুন জনতা চৰকাৰে কায়মনোবাক্যে চেষ্ট কৰিব লাগে। প্ৰশাসনীয় ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন সাধন কৰিব লাগি। বৃটিশৰ যুগৰ যি ফাণ্ডামেণ্টেলবোল প্ৰচিডিউৰ বিলাক সম্পূৰ্ণ ৰূপে ক্ৰেছ কৰিব লাগে। আজি আমাৰ অফিচ বিলাকত এনে ব্যৱস্থাই চলি আছেযে, এখন কাগজ উলিয়াবৰ কাৰণে আঠদিন মান লাগে। বৃটিশৰ যুগৰ সেই ব্যৱস্থা একেবাৰেই ক্ৰেছ কৰিব লাগে। বিষয়া সকল খালি নিজৰ নিজৰ ধান্ডাতহে থাকে। তেখেত সকলক এই বিলাক কথা বুজাই দিব লাগে। এই চৰকাৰকে এজন বিষয়াই কৈছিল যে পাৰ্টি আৰু চৰকাৰ বদলি হব পাৰে কিন্তু আমি বিষয়া বিলাকটো পৰিবৰ্ত্তন হোৱা নাই। গতিকেই আজি যিটো দল শাসনৰ গাদীলৈ আহিছে সেই দলে এই সকলে বিলাক কথাপুংখানুপুংখ ভাৱে বিচাৰ কৰি চাব লাগে। যি আঁচনিয়েই লোৱা নহওঁক কিয় এই বিলাক বাস্তৱমুখী হব লাগে। দিছপুৰৰ এয়াৰকণ্ডিশ্বন ঘৰত বহি আঁচনি কৰি গাঁৱৰ পৰিস্থিতি কেতিয়াও অনুধাৱন কৰিব নোৱাৰি। আজি জনতা চৰকাৰৰ পৰা আমাৰ ৰাইজে বহুতো আশা কৰিছে। গতিকে চৰকাৰে যিবিলাক কাম কাম কৰে সেই বিলাক যাতে জনতাৰ স্বাৰ্থৰ কাৰণেই কৰা হয় তালৈ চকু ৰাখিব লাগে।

শিক্ষা সংস্কাৰৰ নামত কেইবা চনতো ৰাধাকৃষ্ণন আয়োগ, কুঠাৰীকামিশ্বন, মুদালি কমিশ্বন আদি কেইবাটাও কমিশ্বন কৰি দিয়া হল। পৃথিৱীৰ বিভিন্ন ঠাইৰ পণ্ডিত সকলক লৈ বিভিন্ন শিক্ষা আয়োগ বিলাক কৰি দিলে ভাৰতবৰ্ষৰ শিক্ষাসংস্কাৰৰ নামত। অন্ততঃ পাছ কোটি মান টকা খৰচ কৰা হল। এবাৰ একাদশ, এবাৰ দ্বাদশ, এবাৰ এবছৰীয়া, এবাৰ দুবছৰীয়া ডিগ্ৰী কৰ্ছ আদি নানান ব্যৱস্থাৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে পৰীক্ষামূলক দৃষ্টিৰে। ফলত লৰাছোৱালীয়েপৰীক্ষা দিবলৈকো কিতাপ আদি পাবলৈ নাই। গতিকে এই ধৰণৰ শিক্ষা ব্যৱস্থা কৰিলেই নহব। কেনেকৈ বিজ্ঞানসম্মত ভাবে আমাৰ লৰাছোৱালী বিলাকক শিক্ষা দিব পাৰি সেইটোৰহে ব্যৱস্থা কৰিব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাটো অশোক কাগজ মিলৰ নিচিনাহে হৈছে।

অশোক কাগজ কলত যেনেকৈ এফালেদি বাহ আদি সোমাই দিব আৰু আনফালেদি কাগজ ওলাব থিক তেনেকৈয়ে স্কুল কলেজ বিলাকত আমাৰ লৰাছোৱালীবিলাক পঢ়িবলৈ সোমাইছে আৰু আনফালে বেকাৰ হৈ ৰাহিৰ হৈ আছে। এম, এল, এ সকলক ভোট দি জিকাই পঠাইছো যেতিয়া আমাক চাকৰি দিবই এই ভাবি বহুতো বিলাক লৰাছোৱালী আমাৰ পিছত ঘূৰি ফুৰে। আমিনো বাৰু কেনেকৈ চাকৰি দিব পাৰো। চাকৰি দিব পাৰে আমাৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰেহে। আজি মোৰ যি অভিজ্ঞতা হৈছে সেইটো বোধকৰো মোৰ মাননীয় সদস্য বন্ধু সকলৰো হৈছে। জনতা চৰকাৰে অৱশ্যে ১০বছৰৰ ভিতৰতে নিবনুৱা সমস্যা দূৰীভূত কৰিব পাৰিম বুলি কৈছে। যদি একেবাৰেই নোৱাৰি অন্ততঃ আধামান সমস্যা সমাধান কৰিব পাৰিলেও আমি অন্ততঃ আধা যন্ত্ৰণাৰ পৰা মুক্ত হব পাৰিম।

এইটো ঠিক যে আমাৰ যিটো শোষণ ব্যৱস্থা সেইটো অকল আমাৰ দেশতেই নিকয় আমেৰিকাৰ নিৰ্চিনা পুঁজিপতিৰ দেশো ইয়াৰ পৰা সাৰি যাব পৰানাই । যি দেশক সাম্ৰাজ্য বাবে দুয়োফালৰ পৰা অক্টোপাচৰ দৰে চেপি ধৰিছে সেই দেশৰ চৰকাৰে ভালদৰে পৰীক্ষা কৰক কোন ফালে সুৰুঙা আছে আৰু কোন ফালেদি সোমাইছে। আজি জানো যে অসমৰ জনসাধাৰণ যত দাৰিদ্ৰ সীমা ৰেখা শতকৰা ৭৫ ভাগৰ ওপৰত সেই দেশত সাম্ৰাজ্যবাদ পুজীবাদ কোন পৰ্থেদি সোমাইছে তন্ন তন্নকৈ বিচাৰ কৰিব লাগে ।

**Mr. DEPUTY SPEAKER** : Order, order hon. member has exhausted his time. He is requested to finish it now.

*শ্ৰীফণি মেধি ঃ—মাননীয় সদস্য গৰাকীয়ে সাম্ৰাজ্যবাদ যিটো প্ৰশ্ন উৎথাপন কৰিছে আৰু উপাধ্যক্ষ মহোদয়ে সময়ৰ সংকেট দি আছে যেতিয়া এইবোৰ তাৰ ব্যাখ্যা কৰা নহব। সময় আৰু সুযোগ পালে নিশ্চয় তাৰ ব্যাখ্যা কৰিম । কিন্তু এটা কৰই লাগিব । সেইটো হৈছে আমাৰ দেশখনক আমি সাম্ৰাজ্য বাদৰ শক্তিয়ে লুন্ঠণ কৰিবলৈ এৰি দিব নোৱাৰোঁ । এইটো বন্ধ কৰিবৰ কাৰণে আমি একেলগ হৈ শোষণমুক্ত এখন সমাজ আমি ৰচনা কৰিব লাগিব ।অৰ্থানি এজন বন্ধুৱে কৈছে যে আমাৰ সমাজত শ্ৰেণী বিভেদ নাই । কিন্তু আমি জানো যে ট্ৰাইবেলেই হওক বা নন ট্ৰাইবেলেই হওক শ্ৰেণী বোলা কথাটো আমাৰ সমাজত আছে । আমি ইয়াত যিসকল সৰ্বহাৰা লোকৰ প্ৰতিনিধি হৈ ইয়ালৈ আহিছো সেইসকল জনসাধাৰণে বুজি পাই কোন শ্ৰেণীৰ লোকে আমাক শেষণ কৰি আহিছে । অসমৰ শ্ৰমজীৱী জন সাধাৰণে শোষণকাৰী ব্যৱস্থাটোৰ কথা ভালকৈ জানে । আহক বন্ধুসকল আমি সকলোৱে একেলগ হৈ এই শোষণকাৰী শ্ৰেণীটোৰ পৰা আমাৰ জন-সাধাৰণক মুক্ত কৰোঁ । এই আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

* শ্ৰীআব্দুল লতিফ ঃ-মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বাজেট সম্পৰ্কে ভালে-কেইজন সদস্যই বহুতো আলোচনা কৰিছে মোৰ ফালৰ পৰা কবলৈ হলে এই বাজেটখন মোৰ মনোনিত হোৱা নাই । তথাপি কিছুমান ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে যি পদক্ষেপ লৈছে তাৰ বাবে মই ধন্যবাদ দিছোঁ । যোৱা ৩০ বছৰে আগৰ চৰকাৰৰ দিনত ৰাইজক এটা পইচা পৰ্য্যন্ত মাফ দিব পৰা নাছিল । কিন্তু জনতা চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত দশম মানলৈ মাচুল মাফ দিছে আৰু দহ বিঘালৈ মাটিৰ খাজানা মাফ দিছে, তাৰ কাৰণে মই জনতা চৰকাৰক ধন্যবাদ দিছোঁ । যোৱা ৩০ বছৰেকংগ্ৰেছী চৰকাৰে দুখীয়া কৃষকক এটা পই-চাৰো মাটিৰ ৰেভিনিউ মাফ দিব নোৱাৰিলে। আটি বিৰতণৰ ক্ষেত্ৰত বিশেষকৈ বৰপেটা মহকুমাত নানা খেলি-মেলি হৈছে । কিছুমান মাটি বিতৰণৰ ক্ষেত্ৰত বিশেষকৈ বৰপেটা বিঘাকৈ । কিন্তু চৰকাৰৰ অফিচৰ পৰা নটিচ গৈছে সেই মাটিৰ পৰা উঠাই দিব লাগে । সেই খিনি মানুহৰ এবিঘাও মাটি নাছিল, সেই মানুহবিলাকক যি নাম মাত্ৰ মাটি দিয়া

*Speech not corrected

হৈছিল আকো কাগজে পত্রইহে দিলে আচলতে মানুহে মাটি নাপালে। বহুতো ক্ষেত্রত উচ্ছেদ কৰা হল। মাটি দিয়ৰ পৰিমানতকৈ উচ্ছেদৰ পৰিমানহে বেছি হল। গতিকে মই নতুন চৰকাৰক কও যে আগৰ চৰকাৰৰ দিনত যি ভুল বিতৰণ হৈছিল সেই দৰে যেন নতুন চৰকাৰৰ দিনত নহয়।

স্বাস্থ্যৰ শিতানত নতুন চৰকাৰে আউটদোৰ পেচেণ্টৰ ক্ষেত্রত যি ২৪ পইচাৰ ফিজ উঠাই লৈছে তাৰ বাবে মই ধন্যবাদ দিছো। কিন্তু তাৰ লগতে এটা আনুসঙ্গিক কথা ঔষধৰ ব্যৱস্থা কৰাৰ বাবে মই আহবান জনাইছো। বৰপেটাত যিটো চিভিল হস্পিতাল আছে সেইটো যেনিবা ডাক্তৰ খানা নহয় যমৰ কাৰখনাহে, এনে অনুমান হয়। বিচনাৰ অভাবত মাটিতে কিছুমান মানুহে ডেলিভাৰী কৰিব লগা হোৱা অৱস্থা মই দেখিছোঁ। আমি দেখিছো আজি ছমাহ ধৰি তাত এক্সৰে প্লেট নাই, কিছুমান ৰোগীয়ে বুকুৰ বেদনা লৈ আহি ঘূৰি যাব লগা হয়। এয়াই হল আমাৰ ডাক্তৰ খানাৰ অৱস্থা।

ঔষধ পাতিৰ যিটো ব্যৱস্থা কৰিছে তাত জানিব পাৰিছো বহুত ঔষধ পাতি গৈছে কিন্তু কত কি হৈছে তাৰ কোনো পাত্তা নাই। আমি জানিব পাৰিছো ডাক্তৰখানালৈ যোৱা ঔষধ বিলাক ডাক্তৰখানাই বিক্রি কৰে। বিশেষকৈ অনুভৱ কৰা হৈছে যে এজন দুখীয়া মানুহ যদি চিকিৎসাৰ কাৰণে যায়, তেতিয়াহলে তাত টকা বিচাৰে। কিন্তু দুখীয়া ৰাইজে টকা দিব নোৱাৰাৰ কাৰণে চিকিৎসা নলৈ ঘৰলৈ ঘূৰি আহিব লগা হয়। মই এটা উদাহৰণ দিব বিচাৰিছো এজন মানুহ অপাৰেচনৰ কাৰণে গৈছিল। তেতিয়া ডাক্তৰে কলে যে অপাৰেচনৰ কাৰণে ১০০ টকা দিব লাগিব। কিন্তু এই দুখীয়া মানুহজনে ১০০ টকা দিব কব পৰা? সেইকাৰণে তেওঁ অপাৰেচন বাদ দিব লগা হল। এনেধৰণৰ বহুতো কথা আছে। জনতা চৰকাৰে যাতে এইবিলাকৰ অনুসন্ধান কৰে। আমাৰ ঔষধ পাতি প্রত্যেক মাহে মাহে হস্পিটেল বিলাকলৈ যায় এইটো জনাৰ ব্যৱস্থা কৰিব লাগে। তাত যিবিলাক দুৰ্নীতি চলি আছে এইটো জনাৰ পিচতহে বন্ধ কৰিব পৰা হব।

ইয়াৰ উপৰিও আমি দেখিবলৈ পাইছো যে আমাৰ বিশেষকৈ গড়কাপ্তানী বিভাগে নতুন মথাউৰি বান্ধে, ৰাস্তা-ঘাট বান্ধে। কিন্তু আমাৰ বৰপেটা অঞ্চলৰ ৰাস্তাবিলাক থাকিলেও এইবিলাক অকামিলা আৰু আগতেও বহুত ৰাস্তা কৰিছে। ৰাস্তা আছে কিন্তু ৰাস্তাত দলং নাই। কিছুমানত মেইল ৰাস্তাৰ কাষত এক মাইল ৰাস্তা কৰিছে কিন্তু অঞ্চলত আমি ৰাস্তা দেখিবলৈ পোৱা নাই। মাড মেইন ৰাস্তাৰ ওপৰত দুই এক মাইল ৰাস্তা দেখিবলৈ পাওঁ। ৰাস্তা থাকিও যদি তিনি চাৰি মাইল ঘূৰি আহিব লগীয়া হয় দলঙৰ অভাৱত তেতিয়াহলে ৰাস্তাটো থকানথকা একে কথা হল। বিশেষকৈ গাওঁলীয়া অঞ্চলবিলাক টাউন চহৰৰ লগত ৰাস্তাৰে সংযোগ কৰিবলৈ মই এই চৰকাৰক অনুৰোধ কৰিলো। অনতিপলমে আমাৰ গভীৰ অঞ্চলবিলাক টাউনৰ লগত সংযোগ কৰিবলৈ অনুৰোধ কৰিলো।

মই বাননিয়ন্ত্রন আৰু জলসিঞ্চনৰ কথা কব বিচাৰিছো। মোৰ অঞ্চলটো বিশেষকৈ দ অঞ্চল। বৰপেটা বাগবৰ, জনিয়া, চেঙা, এইবিলাক দ অঞ্চল। বাৰিষা হলে পানী হয়। ইয়াত কিছুমান এনেকুৱা ঠাই আছে যত মথাউৰি দিব নোৱাৰি আৰু দিলেও এফালে উপকাৰ হয় আৰু আনফালে অপকাৰ কৰে। তেনেকুৱা ঠাইত জলসিঞ্চনৰ কাৰণে গভীৰ নলীনাদ বহুৱাৰ ব্যৱস্থা কৰিব লাগে। তেনেকুৱা কৰিলে আমাৰ নিবনুৱা সমস্যা কিছু পৰিমাণে দূৰ হব। আৰু নতুন চৰকাৰক এই ঠাইবোৰ যেনেকৈ বাগবৰ, বৰপেটা মৌজাৰ পূব অঞ্চল আৰু দক্ষিণ অঞ্চল আৰু ঘিলামাৰী দক্ষিণ অঞ্চল এনেকুৱা পৰিস্থিতিত আছে। এইবিলাক অঞ্চলত সৰু সৰু মথাউৰি বা ৰিং বন্ধাৰ ব্যৱস্থা কৰিব লাগে। নহলে কৃষক

সকলৰ আৰ্থিক অৱস্থা অধোন্নতিৰ ফালেহে যাব । আৰু ভৱিষ্যতে এই এলেকাৰ মানুহে কৃষিৰ কামত উন্নতি কৰিব নোৱাৰিব । ফলত কৃষিৰ অৱনতি হব আৰু শস্যৰ আমদানি কম হব ।

পঞ্চায়তৰ ক্ষেত্ৰত আমি ভাবো পঞ্চায়তৰ দ্বাৰা বিশেষ লাভ হোৱা নাই । মাত্ৰ কেইজন মান মানুহৰহে লাভ হৈছে । সমগ্ৰ ৰাইজৰ উন্নতি হোৱা নাই । বিশেষকৈ তাত যিকেইজন কাউন্সিলৰ বা সভাপতি পাতিছে ৰাজনৈতিক ক্ষেত্ৰত কিছু লাভ হৈছে কিন্তু প্ৰকৃতপক্ষে জনসাধাৰণৰ লাভ হোৱা নাই। গতিকে পঞ্চায়ত উঠাই দিব নলাগে। এইটো ৰিঅৰগেনাইজ কৰিলে ভাল হয় আৰু যিবিলাক সমবায় আছে, বিশেষকৈ দক্ষিণ জিলা সমবায়ত আমি দেখিছো টেষ্ট ৰিলিফৰ নামত কেটেল লোণ আনিবলৈ যাওঁতে ১০।২০ টকা নিদিলে কেলেট লোণ নিদিয়ে । এইবিলাক ৰিফৰ্ম নকৰিলে মানুহৰ কোনো উপকাৰ কৰিব নোৱাৰে ।

শ্ৰীগোলোক ৰাজবংশী :— পইন্ট অৱ অৰ্ডাৰ চাৰ । টেষ্ট ৰিলিফত কেটেল লোণ সমবায়ে দিব নোৱাৰে ।

* শ্ৰীআব্দুল লটিফ :—সমবায়ৰ জৰিয়তে দিছিল ।

তাৰ পিচত বনাঞ্চলৰ ক্ষেত্ৰত বিশেষকৈ অসমত বহুতো বনাঞ্চল আছে । ইয়াত বন বিভাগত বহুতো আয় হয় । কিন্তু যোৱা কেইবছৰ মান ধৰি এই বিভাগটোত কিছুমান কেলেংকাৰী হৈ আছে । এই বিলাক অনুসন্ধান কৰি প্ৰকৃত দোষীক শাস্তি দিব লাগে । মই কথাটোৰ প্ৰতি অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জনতা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো ।

চাকৰীৰ ক্ষেত্ৰত বিশেষকৈ আমাৰ যিটো গ্ৰাম্য নিবনুৱা সমস্যা হৈছে তাক প্ৰকৃত পক্ষে আমি কাকো চাকৰি দি সন্তুষ্ট কৰিব নোৱাৰিম । আমাৰ যেনেকৈ জনসংখ্যা বাঢ়িছে সেইদৰে উদ্যোগ বা ফাৰ্মৰ সৃষ্টি হোৱা নাই । তাৰ ফলত আমি মানুহক এইবিলাকত খটুৱাব পৰা নাই । গতিকে আমাৰ বৰ্ত্তমান চৰকাৰে যি পৰিস্থিতিত মোকাবিলা কৰিছে তাত দেখিছো নিবনুৱা সমস্যা আছে । এইবিলাকত বিশেষকৈ নতুন যিবিলাক অঞ্চল আছে সেইবিলাকত নতুন ফেক্টৰী বা ইন্ডাষ্ট্ৰি খুলিব পাৰিলে তাত কিছু মানুহ খটুৱাব পৰা হব । আমাৰ বৰপেটাত বেছি মৰাপাট আছে । তাত এটা মৰাপাটৰ কল কৰিলে বহুত মানুহক চাকৰি দিব পাৰিম । আমি আগতেই শুনিছিলো যে বৰপেটাত এটা মৰাপাটকল হব । কিন্তু বহুবছৰ ধৰি এই মৰাপাট কলৰ হিচাব নাই, কোন মেম্বাৰ হল, নহল তাৰো একো জানিব পৰা নাই । আমাৰ শ্ৰীআটাউৰ ৰহমান চেয়াৰম্যান বুলি শুনিছিলো । বহুত বছৰৰ পৰাই জুটমিল হব হব বুলিয়েই শুনিছিলো কিন্তু তাত টকা-পইচা কি হৈছে আমি কব নোৱাৰিলো । গতিকে নতুন চৰকাৰক অনুৰোধ কৰিছো জুট মিলত কি আয় হল কি খৰচ হল সেইটো হিচাপ লৈ আমাকো জানিবলৈ দিয়াৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো ।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰো যে, জুট মিলৰ যি আয় হয়, যি টকা খৰচ হয়, তাৰ খবৰ লব লাগে। আৰু আমাক যাতে জানিবলৈ দিয়ে তাৰ কাৰণে অনুৰোধ কৰিলো। কৃষিৰ প্ৰতি আমাৰ নতুন চৰকাৰে বেছি গুৰুত্ব দিছে। সেই কথাত আমি সুখী হৈছো ।

* শ্ৰীনৰেন নাথ দত্ত :—উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত বক্তৃতা দি আছে। কিন্তু মন্ত্ৰী সভাৰ বিভাগীয় মন্ত্ৰী এজনা উপস্থিত নাই। অৱশ্যে আমাৰ ৰুলচ অব প্ৰচিদিউৰ মতে ২৭৫ ধাৰা মতে মাননীয় অধ্যক্ষ বা উপাধ্যক্ষ মহোদয়ৰ পাৰমিচন লৈ যাব লাগে। পাৰমিচন লৈ গৈছে নেকি ?

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে ঘৰতো মানুহ লগ কৰে অফিচতো কৰে। কিন্তু ইয়াত মন্ত্ৰী সকল নথকাতো দেখিবলৈকে বেয়া হৈছে।

* শ্ৰীআব্দুল লতিফ :—উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে শতকৰা ৪০ ভাগ টকা খৰচ কৰিব বুলি কৈছে। তাত আমি সন্তুষ্টহৈছো। এই ক্ষেত্ৰত বিশেষকৈ আমাৰ যিবিলাক কৃষক আছে চৰ অঞ্চলত বা দ অঞ্চলত সেইবিলাকে খেতিবাতি কৰিব পাৰে। তেওঁলোকে পানীৰ তলৰ পৰা মৰাপাট কাটি আনিব পাৰে। সেই কৃষক বিলাকে কেইবাবছৰো ধৰি মথাউৰিৰ ওপৰত, ৰেল লাইনৰ ওপৰত পৰি আছে। পূৰ্ব্বৰ চৰকাৰে এই বিষয়ে খবৰ লোৱা নাছিল। ইয়াৰ ফলতেই আমাৰ বৃহত পৰিমাণৰ টকা নষ্ট হৈছে। আজি আমি আমাৰ কৃষক সকলক আমি ঠিকমতে কামত লগাব পৰা নাই। তাৰ ফলত শস্য, কৃষিজাত বস্তু আমদানি কমি গৈছে। গতিকে অনুৰোধ কৰো যাতে নতুন চৰকাৰে অনতিপলমে যিবিলাক মানুহ মথাউৰিত আছে, যিবিলাক মানুহ ৰেল লাইনৰ ওপৰত আছে, যিবিলাকে ভিক্ষা কৰি খাইছে, যি সকলে অনাই বনাই ফুৰিছে তেওঁলোক প্ৰকৃতাতে অসমৰ মানুহ হয়নে নহয়, নে বাহিৰৰ পৰা অহা মানুহ এইটো অনুসন্ধান কৰি যদি প্ৰকৃততে দেশৰ নাগৰিক হয় তেনেহলে তেওঁলোক থকাৰ কাৰণে বিশেষ ঠাই কৰি দিব লাগে। তেওঁলোকক মাটি চহ কৰিবৰ কাৰণে দিব লাগে। লগে লগে মাটিৰ পট্টন দিব লাগে। প্ৰতিজন কৃষকক ১০ বিঘা কৰি মাটি দিব লাগে। এইখিনিকে কৰিবলৈ মই নতুন যোগান মন্ত্ৰীক অনুৰোধ কৰিলো।

Shri GOLOK RAJBANGSHI : Point of order. Whether the can be a natun sarkar. Goverment is a juristic person, it never ceases to function. Whether natun sarkar is legally correct ?

*শ্ৰীআব্দুল লতিফ :—আনহাতে আমাৰ জনতা চৰকাৰে এই বাজেটত বহুখিনি কথা উল্লেখ কৰিব পৰা নাই। কিন্তু আমি দেখি আহিছো পূৰ্ব্বৰ চৰকাৰে যোৱা ৩০ বছৰে যিবিলাক কথা বাজেটত উল্লেখ কৰিছে যিমান টকা খৰচ কাগজে পত্ৰই দেখুৱাইছিল বাস্তবিকতে কাম হোৱা নাছিল। যদিও আমাৰ জনতা চৰকাৰে বহুতো কথাই উল্লেখ কৰা নাই, তথাপি মই কওঁ যে, আমাৰ জনতা চৰকাৰে উল্লেখ কৰাতে আৱদ্ধ নাথাকি প্ৰকৃততে কাম কৰি যাতে যাব পাৰে তাৰ বাবে অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰিলো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—মাননীয় উপাধ্যক্ষ মহোদয়, অৱশেষত মোৰ নামতো অহাত মই জয়জয়তে আপোনাক ধন্যবাদ দিছো। বিত্তমন্ত্ৰীৰ বাজেটত আৰু বাজেটৰ পৰিপূৰক হিচাবে লেন্দ এচিভমেন্ট এই কিতাপ দুখন পঢ়ি সন্তোষ হোৱা নাই। কিয়নো কংগ্ৰেছৰ ৩০ বছৰীয়া শাসনে আমাক নানা অসুবিধাত পেলাই থৈ গৈছে। আজি আমি আমাৰ নতুন চৰকাৰৰো জন সাধাৰণৰ প্ৰতি কাম কৰাৰ দৃঢ়তা দেখিবলৈ পাব লাগিব। সেই দৃঢ়তাৰ ভেটি আগৰ চৰকাৰৰ নাছিল। ভবিষ্যতে অনান্য প্ৰদেশৰ লগত ফেৰ মাৰিব পৰাকৈ ১৫ বছৰ সময় বিচাৰিছে। এতিয়া ভাৰতৰ অনান্য প্ৰদেশে কাম নকৰাকৈ বহি থাকিবনে কি ? তেওঁলোক বৈ নাথাকি আগবাঢ়ি গৈ থাকিব। মই মাত্ৰ বাজেটৰ কেইটামান বিষয়হে উল্লেখ কৰিব খুজিছো।

মহোদয়, শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট কথা কোৱা হৈছে। বাজেটত পইচাও ধৰিছে, কিন্তু প্ৰাথমিক শিক্ষা যেতিয়ালৈকে শক্তি শালী কৰিব নোৱাৰোঁ তেতিয়ালৈকে আমি একো কাম কৰিব নোৱাৰোঁ। কিন্তু অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা কি হৈ আছে। এই শিক্ষা শিক্ষা হৈ থকা নাই। প্ৰাথমিক দুনীৰ্তি দুনীৰ্তিৰ এটা নমুনা হৈ পৰিছে। মই কব খুজিছো যে প্ৰাথমিক শিক্ষাৰ শিক্ষাধিকাৰ

Speech not corrected

জন ৩১ মাৰ্চৰ দিনা ১৫ শ টকাৰ এখন চকি কিনিছে। বোধহয় চকি এতিয়াও অফিছ পোৱা হোৱা নাই। বিল পাছ হৈ গৈছে চকিৰ কুচ্চিচন ভাল বুলি বিলৰ ওপৰত লিখা আছে। ইয়াৰে পৰি বিভাগ-বিলাকে ৩১ মাৰ্চৰ পিচত টকা পায়। এইজন শিক্ষাধিকাৰিয়ে ৪৯ লাখ টকা স্কুল বৰ্ডৰ ডি, আই সকলক দিবলৈ বুলি উইদ্ৰ কৰিছে। কিন্তু বাজেটত কোনো প্ৰভিজন নাই। পাঁচ লাখ টকা এল, পি স্কুলৰ চকি-মেজ কিনিবৰ বাবে নিজে হাতত ৰাখিছে। আৰু ১৭ লাখ টকা ডি, পি, আইয়ে সমগ্ৰ অসমৰ চকি-বেঞ্চ বনাবৰ বাবে, ৰাখিছে আৰু ২৫ লাখ টকা স্কুলঘৰ বনাবৰ কাৰণে ৩১ মাৰ্চৰ দিনা উইদ্ৰ কৰিছে। এই বিভাগত এটা প্লেনিং চেলো আছে। যুটীয়া শিক্ষাধিকাৰৰ অফিছত এই চেলৰ জড়িয়াত ঘৰ বনাবৰ কাৰণে ইমান টকা ৰখা হৈছে। মই শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৈছিলো যে এজন মানুহ পঠাই দিয়ক এই ১৫ শ টকা দামৰ চকিখন চাই আহক। অসমৰ প্ৰকাশণ পৰিষদ এটা আছে। কাগজত ওলাইছে প্ৰকাশন পৰিষদৰ ভিতৰত কি ঘটি আছে? প্ৰকাশন পৰিষদে যি খিনি টকা পইচা পায় তাক নিয়ম মতে খৰচ কৰা হৈছে নে নাই চৰকাৰৰ ফালৰ পৰা চকু দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। প্ৰকাশন পৰিষদ নতুনকৈ গঠন কৰাৰ দিহা কৰা কথা শুনা নাই।

জলসিঞ্চনত যথেষ্ট গুৰুত্ব দিয়া হৈছে। সিদিনা মন্ত্ৰী দুজনে হাল বোৱা দেখি আহিছো। চৰাইহালি গাৱঁত আঠ খন বাৰ্জ পৰি আছে, মামৰে খাইছে। বিজুলী শক্তি সংযোগ হোৱা নাই। মই কবি নহও। কেতিয়াবা পদ্য লিখো। বাৰ্জ খনৰ সম্পৰ্কত দুটা লাইনৰ পদ্য লিখিছিলো। 'যদি কোনো নাই, কোনো নহয়, সোণাপুৰৰ নাম কাগজত আছে, পঢ়া নাই। জলসিঞ্চনৰ কাম কাগজত আছে। দৈনিক অসমত ওলাইছে জলসিঞ্চন বিভাগে ৩১ মাৰ্চৰ আগতে বেচি দাম দি ৩৩ লাখ টকাৰ বস্তু কিনিছে। জলসিঞ্চন বিভাগৰ যি জন উচ্চ পদস্থ বিষয়া তেওঁ আৰু কি কাণ্ড কৰিছে জনতা চৰকাৰে তদন্ত কৰিলে আৰু বহুত কীৰ্ত্তি কাহিনী ওলাব। শ্ৰীশৰত সিংহ ডাঙৰীয়াই কবিতা লিখি-ছিল। কৰবাত কবিতা দেখিছো বেপাৰীয়ে ধান লৈ আউল লগায়, সমবায়ে ধান লৈ চাউল ভগায়। সমবায় সম্পৰ্কত মইও বেলেগ লিখিছো বেপাৰীয়ে ধান লৈ বেপাৰ বঢ়ায়, সমবায়ে ধান লৈ আউল লগায়। যিমান বিলাক সমবায় আছে সকলো সমবায়ে ধান লৈ আউল লগায়। লংকা ক-অপৰেটিভ ম্যাৰ্কেটিংয়ে আঢ়ৈ লাখ টকা খাই পেলাইছে। খাৰমাটি মাৰ্কেটিংৰ সম্পাদকে মাছ বেচিছে, গাড়ী বেচিব খুজিছে, কিন্তু সম্পাদকক বদলি কৰিব নোৱাৰে। বদলি কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ক যদি কোনোবাই কয় তেন্তে সচিবে ৰক্ষণা-বেক্ষণ দি তেওঁক ৰাখি থয়। কি লিংক আছে বুজি নাপাওঁ।

এতিয়া খাদী গ্ৰামোদ্যোগৰ কাহিনী কব বিচাৰিছো। শ্ৰীমনেশ্বৰ বৰা, এচিচটেণ্ট মেনেজাৰৰ সম্পৰ্কত ১৪-৮-৭৩ তাৰিখে তদন্ত সম্পূৰ্ণ হৈছে। তেওঁৰ নামত দিফলকেচন ৩৩ হাজাৰ ৩০১·১৫ পইচা। চাকৰি যোৱা নাই। চাবচিচটেন্স এলাবেন্স বাহাল ৰাখিছে। অনুসন্ধানত যদি আত্মসাতৰ প্ৰমাণিত হোৱা নাই তেন্তে চাকৰি দিব লাগে আৰু যদি প্ৰমাণিত হৈছে চাকৰি যাব লাগে। শ্ৰীভদ্ৰেশ্বৰ বৰা, চুপাৰ ভাইজাৰ বৰ্খাস্ত হৈছে আৰু তেওঁৰ তদন্ত সম্পূৰ্ণ হৈছে ৩১-৩-৭৪ তাৰিখে ৪৪ হাজাৰ ৬১৪ টকাৰ খেলিমেলি, চাকৰি যোৱা নাই। ভিলেজ ইণ্ডাষ্ট্ৰিৰ সম্পাদকৰ নাম শ্ৰীমুকুট শৰ্মাই জানে। সেই সম্পাদকে মুকুট শৰ্মা আৰু ইদ্ৰিছৰ কাৰণে ভোট বিচাৰে। এই দুৰ্নীতি যদি গোচাব নোৱাৰো তেন্তে কেনেকৈ কি হব? আমি এল, পি, বৃত্তিত জমা খৰচ কৰিছিলো। ইয়াত হিচাবৰ বাহিৰে অন্য কথা নাই। ইমান টকা ধৰিছে আৰু জমা ইমান খৰচ ইমান। আয় ইমান, ব্যয় ইমান আৰু হাতে বাকী ইমান। আচলতে খৰচ কিমান হবগৈ সেই কথা কব পৰা নাই।

তাৰ পিচত গড়কাপ্তানি সম্পৰ্কত দুটা লাইন লিখিছো। "পাব্লিক নাই, ওৱাৰ্কচ নাই, বিভাগ আছে।"

৩১ মাৰ্চত টকা ঘূৰাই টুইচ নাচে। ৰাস্তা বান্ধিবলৈ দিওঁ, এম, এন, পি ৰাস্তা কৰিবলৈ দিওঁ ৰাস্তা বান্ধিব নোৱাৰে, টকা চাৰেণ্ডাৰ কৰে। এনেকুৱা কাৰ্য্য চলি আহিছে। জনতা চৰকাৰে যদি এনেকুৱা কাৰ্য্য চলাবলৈ দিয়ে তেনেহলে শ্ৰীমুকুট শৰ্ম্মাই কোৱা কথাটো হব। সেই কাৰণে মই সাবধান কৰি দিব ধৰিছোঁ। এইটো হোৱাটো জনতাই নিবিচাৰে, জনতা চৰকাৰ স্থায়ী হওক। যদি জনতাৰ আশা আকাংক্ষা পূৰণ কৰিব নোৱাৰে তেনেহলে অৱশ্যে এইটো কথা পৰিস্কাৰ ভাৱে সত্য যে ইয়াত কিম্বা হলে এখেত সকল সিফালে যা নোৱাৰে। অন্য যাব। কংগ্ৰেছৰ দুই পক্ষ লগ লাগিলেও অন্য যাব। কংগ্ৰেছ চিৰ দিনৰ কাৰণে শেষ।

উপাধ্যক্ষ মহোদয়, বিদ্যুত নহলে কি হব পাৰে? বিদ্যুত নহলে উৎপাদন বঢ়াব নোৱাৰো। তেনেহলে দেশৰ অৰ্থনীতি কেনেকৈ গঢ়িব। উদ্যোগ নহলে চৰ্কাৰ ঘূৰিব নোৱাৰে। বিদ্যুতত এজন স্বনাম ধন্য মিলিটাৰী পাৰচনেল আছে। তেওঁ বিদ্যুতৰ কাৰবাৰ ধ্বংস কৰি কীৰ্ত্তি ঘোষণা কৰিছে। এই খিনিতে চাওক নুনমাটিত হাজাৰ হাজাৰ মোন এলুমিনিয়ামৰ টাঁৰ মাটিৰ তলত সোমাই আছে। চকা ভঙাত তাতে পেলাই দিয়ে, তুলিবৰ শক্তি নহল। তেওঁৰে অগুহী-বগুহী কোনোবা এজনে তিনিচুকিয়াত ফাৰ্ম্ম কৰিছে। সেই ফাৰ্ম্মে দিভাইচ ওলিয়াইছে। এইটো লবলৈ বাধ্য কৰোৱা হৈছে। তেনেকৈ টকা লুটি খকা হৈছে। সৰু সৰু হলাৰ চেলাৰ বিলাকক এই দিভাইচ লবলৈ বাধ্য কৰোৱা হৈছে। যোগান বিভাগে তেনেকুৱা এটা ব্যৱস্থা লৈছে। ১৯৬৭ চনৰ পৰা নিবনুৱা যুবক সকলক হলাৰৰ পাৰ্মিট দিয়া হৈছে। বেংকৰ লন লৈ এই বিলাক চলাই আছে। এতিয়া যোগান বিভাগে কনিং মেচিন আৰু ৰবৰ চেলাৰ যাৰ দাম ১০ হাজাৰ টকা লগাবলৈ বাধ্য কৰাইছে। কলিয়াবৰত সৰু সৰু মিল বিলাকে ষ্টেটবেংক, ইউনাইটেড বেংক আদিৰ পৰা টকা ধাৰে লৈ মিল বিলাক চলাই আছে। এই দুটা বস্তু নলগোৱাৰ কাৰণে টলা মাৰি মিল বিলাক বন্ধ কৰি দিয়া হৈছে। ডাঙৰ ডাঙৰ মিল বিলাকত চাউল চৰ্ফা কৰিবৰ কাৰণে আধুনিক বস্তু লাগে। মিলত চাউল বেচিকৈ চফা কৰিলে সাৰ একো নাথাকে। ঢেকীত যিমান সাৰ থাকে মিলত সিমান নাথাকে। মোলৈ সৰু সৰু মিল বিলাকৰ মালিকৰ পৰা টেলিগ্ৰাম আহিছে, দৰ্খাস্ত কৰিছে কিন্তু যোগান বিভাগৰ ডেপুটি চেক্ৰেটেৰীয়ে কন পলিচ আৰু ৰবৰ চেলাৰ নলগোৱাৰ কাৰণি পাৰ্মিট দিয়া নাই।

দুখন অভাৱ ব্ৰীজ কৰিবলৈ চৰকাৰে ব্যৱস্থা লোৱাতো প্ৰশংসনীয় হৈছে। কাৰণ তিনিচুকীয়া আৰু গুৱাহাটীত দুখন অভাৱ ব্ৰীজ লাগে। এই দুখনৰ ওপৰিও আৰু এখন লাগে থেকেৰাগুৰীত। এই থেকেৰাগুৰীত অভাৱ ব্ৰীজ নোহোৱাৰ কাৰণে উজনিৰ মানুহ নামনিলৈ যাওঁতে আৰু নামনিৰ মানুহ উজনিলৈ যাওঁতে অযথা ডেৰ-দুই ঘণ্টা বন্ধ হৈ থাকিব লগীয়া হয়। ১৯৬৭ চনৰ পৰাই বিধান সভাৰ মজিয়াত থেকেৰাগুৰিৰ নেচনেল হাইৱে'ৰ ওপৰত এখন অভাৱ ব্ৰীজ দিয়াৰ কথা দাবী কৰি আহিছো। কিন্তু আজিলৈকে হোৱানাই। থেকেৰাগুৰীত অভাৰব্ৰীজ কৰিলে তিনিচুকীয়া বা গুৱাহাটীৰ অভাৰব্ৰীজত যিমান টকা খৰচ হব তাত তাতোকৈ কম টকা খৰচ হব। গতিকে থেকেৰাগুৰীত নেচনেল হাই ওৱেৰ ওপৰত বনালে যথেষ্ট সুবিধা হব। গতিকে তাত এখন বলং দিয়াৰ দৰ্কাৰ।

তাৰ পাছত পঞ্চায়ত আৰু সমবায় উন্নয়ন এই দুটা ব্যৱস্থা অতি প্ৰয়োজনীয়। গণতান্ত্ৰিক দেশ এখন যদি আমি বিকেন্দ্ৰীকৰণ কৰো তেতিয়াহলে আমি পঞ্চায়তবিলাক ক্ষমতাৰ অংশীদাৰ কৰিব লাগিব। কিন্তু আমাৰ মনিনীয় সদস্য শ্ৰীলতিফ ডাঙৰীয়াই কোৱাৰ দৰে পঞ্চায়তটো কি হব? মই নগাঁৱৰ এটা খবৰৰ কথা জানো। নগাঁও মহকুমা পৰিষদৰ কাউন্সিলৰ জন এজন বিশিষ্ট লোক হলেও তেওঁৰ ঘৰৰ ভেটি উঠোৱা ঠাইত অকনমান এটা পুখুৰী আছিল—সিও পোহ মাহত পানী শুকাই যায়। কিন্তু তেওঁ নিজে কাউন্সিলৰ পদত থকাৰ বাবে তেওঁৰ পৰিবাৰৰ নামত এটা তিনিশ টকাৰ ফিছাৰী গ্ৰান্ট পাইছে। তেওঁৰ পৰিবাৰৰ নামত চিঙ্গাৰ মেচিন পাইছে আৰু বহুতো বস্তু কাউন্সিলৰ জনৰ সম্বন্ধীয় লোকৰ নামত আছে।

(ভইচেচ্—সেই কাউন্সিলাৰ জন কংগ্ৰেছ আছিল নে কি আছিল?)

কংগ্ৰেছ হোৱা হলে নামটোকেই কলোহেতেন। এতিয়া কংগ্ৰেছ নহয় কাৰণে নামটো দিব পৰা নাই।

বিত্তীয় প্ৰশাসনৰ সংস্কাৰৰ কথা যিখিনি কোৱা হৈছে—তাত আমি যথেষ্ট সন্তোষ পাইছো। বিত্ত-প্ৰশাসনৰ সংস্কাৰ যেতিয়ালৈকে কৰা নহয় তেতিয়ালৈকে আমি মিতব্যয়ী হব পৰা নযায়। অসমৰ বৰ্তমান যি আৰ্থিক পৰিস্থিতি এই পৰিস্থিতিত আমি যিমান পৰো মিতব্যয়ীতা আনিব লাগিব। বিত্তকোষ গঠন কৰিব নোৱাৰাটো আমাৰেই দুৰ্ভাগ্যৰ কথা আমাৰ দেশৰ পৰা যি চাহপাত বিদেশলৈ গৈছে টেক্স লগাইছে পাঁচ টকা। গতিকে চাহৰ যিটো এক্সপৰ্ট ডিউটি তাৰ ন্যায্য মূল্য পাবৰ কাৰণে চেষ্টা চলাব লাগে। আমাৰ দেশ বন-জঙ্গলৰে ভৰা। এই বনাঞ্চলত বহুতো ডাঙৰ ডাঙৰ মূল্যবান গছ আছে—যিবোৰৰ পৰা প্লাইউড ফেক্টৰী চলি আছে। বন-জঙ্গলৰ হলং আদি গছ বোৰৰ দ্বাৰা বিৰলাৰ প্লাইউডৰ কাম চলি আছে—কিন্তু তাৰ যিটো চেলচ-টেক্স আমি পাব লাগে সেইটো পোৱা নাই। এই প্লাইউডৰ হেড-অফিচ কলিকতাত হোৱাৰ কাৰণে আমি এই ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছো। গতিকে এই হেড-অফিছটো আমাৰ অসমলৈ আনিবলৈ তেওঁলোকক বাধ্য কৰাব লাগে যে—প্লাইউডৰ সমস্ত কাৰবাৰ অসমৰ ভিতৰত থাকিব লাগে—যদি এইটো নহয় তেতিয়াহলে আমাৰ বন জঙ্গলৰ পৰা প্লাইউড কাঠ দিয়াটো বন্ধ কৰি দিব লগে। এতিয়া প্লাইউডৰ ৰক্ষণা-বেক্ষণ আমাৰ চৰকাৰে দিব লাগে। এতিয়া অসমতেই সৰু সৰু প্লাইউড ফেক্টৰী কৰি বিভাগে তাৰ পৰিচালনাৰ কাম হাতত লব লাগে। বিৰলাক আৰু ৰক্ষণা-বেক্ষণ দিয়াৰ কোনো প্ৰয়োজন নাই। বিৰলাই এই ফেক্টৰী বন্ধ কৰি দিলেও আমাৰ চলাব পৰা ক্ষমতা হৈছে।

সাংস্কৃতিৰ দিশত উন্নতি সাধনৰ কাৰণে যিবোৰ প্ৰস্তাৱ লৈছে—তাৰ ভিতৰত যিটো জনতা ছবিঘৰৰ কথা কোৱা হৈছে—তাৰ দ্বাৰা অপকাৰ হৈছে। ক্ৰাইম বাঢ়িছে, লৰাৰ দীঘল চুলি হৈছে আৰু ছোৱালীৰ চুলি চুটী হৈছে। পিচফালৰ পৰা লৰাইনে ছোৱালী চিনিব পৰা নাযায়। যদি জনতা কথাছবি কৰিব বিচাৰিছে তেতিয়াহলে আমাৰ দেশৰ কৃষিৰ ওপৰত বৈজ্ঞানিক পদ্ধতিত ভিত্তি কৰি জনতা কথাছবি প্ৰদৰ্শণ কৰক। আমাৰ যিবিলাক বেমাৰ আছে সেইবিলাক কেনেকৈ নিমূল কৰিব পাৰি আৰু খেতি কেনেকৈ ভালকৈ কৰিব পাৰি আৰু কেনেকুৱা উদ্যোগ অসমত গঢ়ি তুলিব পাৰি সেই-বোৰলৈ লক্ষ্য ৰাখি জনতাৰ কথাছবিখন পাতিলে ভাল হব। কিন্তু জনতাৰ ছবিঘৰ পাতি জনতা যদি বিপথে যায় তেতিয়াহলে জনতাই বেয়া বুলিহে কব। জনতাৰ ছবিঘৰ জনতাৰ মঙ্গলৰ কাৰণেই হব লাগে।

ধান চাউলৰ ওপৰত থকা বাধানিষেধ উঠাই দিয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰক বহুধৰণে সমা-লোচনা কৰিছে। মই নিজে খেতিয়ক হিচাবে কব পাৰো যে ধান-চাউলৰ ওপৰত থকা বাধা নিষেধ উঠাই দিয়াৰ ফলত আমাৰ দুখীয়া খেতিয়ক সকলে একৰ পৰা দুই পইচা বেছি পাইছে। কিন্তু আমাৰ অসমত বাৰিষা কালত বিশেষকৈ শাওন ভাদ আহিন আধৰু কাতি মাহত আমাৰ দেশত ধান চাউলৰ অভাৱ অনাটন নানা কাৰণত ঘটিব পাৰে। যদি সেয়ে হয় তেন্তে চলচিল বাধা নিষেধ উঠাই ইয়াৰ মূল কাৰণ বুলি জনসাধাৰণে নিশ্চয় ভাবি লব। সেই কাৰণে মই জনতা চৰকাৰক সকিয়াই দিব খোজো যে জনতা চৰকাৰে ভবিষ্যতৰ কথা ভাবি গুণি কাম কৰিব লাগিব আৰু সেই সময় ছোৱাত সকলো খেতিয়কক প্ৰয়োজনীয় ধান-চাউলৰ যোগান ধৰি অভাৱ অনাটনৰ পৰা ৰক্ষা কৰিব লাগিব। ইয়াত আৰু এটা কোৱা হৈছে যে বস্তুৰ দাম যদি যেতিয়া বাঢ়ে তেতিয়া প্ৰায়বোৰ ৰাজনৈতিক দলেই দাম কমাব লাগে বুলি কয়। আটাৰ দাম যদি দুটকা হয় তেতিয়া আমি দাবী কৰো এটকা পোন্ধৰ পচালৈ কমাই দিয়া হওক আৰু চাউলৰ যদি চাৰি টকা হয় তেতিয়া আমি কওঁ দুটকালৈ কমাব লাগে। এইটো কোনো দাম নীতিৰ কথা নহয়। কিন্তু কি নীতিৰ জৰিয়তে দাম নিৰ্দ্ধাৰণ কৰিলে ভাৰ সাম্য ৰক্ষা পৰে—সেইটোহে চাব লাগে। গতিকে আমি দাম নিৰ্দ্ধাৰণ কৰিব লাগে। খেতিয়কৰ উৎপাদিত সামগ্ৰী আৰু কাৰখানাত উৎপাদিত সামগ্ৰীৰ মাজত সামঞ্জস্য থাকিব লাগে। যিকোনো বস্তুৰ ব্যয় মূল্যতকৈ বস্তুৰ দাম কেতিয়াও ডেৰগুণ বাঢ়ব নোৱাৰে। যদি এটা বস্তুৰ ব্যয়মূল্য ছয় অনা হয় সেইটোৰ দাম কেতিয়াও ন অনা হব নোৱাৰে। গতিকে দাম নীতি চৰকাৰে দিব লাগিব আৰু সেই দামনীতিৰ জৰিয়তেহে সকলো কাম কৰিব পৰাযাব।

গ্ৰাম্য উন্নয়ন আঁচনিত শিল্প আৰু বাণিজ্যিক প্ৰতিষ্ঠান সমূহক জড়িত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে তেনে প্ৰতিষ্ঠানসমূহে গ্ৰাম্য সমাজৰ সামাজিক অৰ্থনৈতিক উন্নয়নৰ হকে লোৱা প্ৰকল্প সমূহত কৰা ব্যয়ৰ ক্ষেত্ৰত কৰ আৰোপন কৰিবলগীয়া লাভ আয় কৰৰ পৰা ৰেহাই দিবলৈ আয়কৰ আইনত যথেপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। অসমত ব্যৱসায়ী গোষ্ঠীলৈ এই সম্পৰ্কত সহযোগিতাৰ বাবে ৰাজ্য চৰকাৰে কৰা গোহাৰিৰ প্ৰতি পোৱা সহাৰি উৎসাহজনক। ব্যৱসায়ীসকলে সহযোগিতা আগবঢ়াইছে বুলি ইয়াত কৈছে—কিন্তু কি সহযোগিতা আগবঢ়াইছে তাৰ কোনো ইংগিত ইয়াত নাই। কিমান মূলধন প্ৰয়োগ কৰি কি শিল্প প্ৰতিষ্ঠান গঢ়িব খুজিছে তাক যথাযথ ভাবে দিলে ভাল হয়।

ভূমি ৰাজহ আৰু ভূমি সংস্কাৰৰ ক্ষেত্ৰত মন্থৰ গতিত চলিছিল। এই ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে যে কেলেংকাৰী সৃষ্টি কৰিছিল তাত কোনো সন্দেহ নাই। কিন্তু ভূমি সংস্কাৰ যদি অতি খৰতকীয়া কৰিব লাগে তাৰ কোনো ব্যৱস্থা নাই। কেৱল ভূমি সংস্কাৰৰ ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা লোৱা হব বুলি উল্লেখ কৰিলেই কাম শেষ নহয়। মই আগতেই কৈছো যে সদনৰ ফালৰ পৰা ৯।১০ জন মান সদস্যক লৈ এখন কমিটি কৰি দিয়ক। এই কমিটিয়ে নিৰ্দিষ্ট সময় অৰ্থাত ছয় মাহৰ ভিতৰত আঁচনি প্ৰস্তুত কৰি সদনত দাখিল কৰিলে কামত কিছু আগবাঢ়িব।

মণ্ডল কানানগোৰ দ্বাৰা ভূমিহীনৰ লিষ্ট তৈয়াৰ কৰিবলৈ দিদি কংগ্ৰেছ চৰকাৰৰ দিনত কংগ্ৰেছ এম, এল, এ সকলৰ দ্বাৰা ভূমিহীনৰ লিষ্ট বনোৱা হৈছিল—তাত কংগ্ৰেছ এম, এল, এ জনে যদৰে নিজৰ পৰতেক-জীয়েকৰ নাম ভূমিহীনৰ লিষ্টত দিছিল—তেনেকৈ জনতা চৰকাৰৰ দিনতো জনতা এম, এল, এ সকলেও তেওঁলোকৰ সম্বন্ধীয় লিকৰ নাম দিলে কেতিয়াও সমস্যা সমাধান নহয়।

উপাধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি আশা আৰু উৎসাহ আমি পাইছিলো ব্ৰহ্মপুত্ৰ কমিচন হোৱাত, কিন্তু যোৱা কেই বছৰত কি কাম দেখিলো তাকে চাই আমি সচাঁকৈ সন্তুষ্ট হব পৰা নাই। মথাউৰি বিলাক মেৰামতি কৰাকে ধৰি অন্যান্য কাম কৰা নাই। জলসিঞ্চন কৰা নাই। বানপানী নিয়ন্ত্ৰণ বিভাগে কিন্তু তেনে বিলাক কাম আৰম্ভ কৰে ঠিক যিদিনা বানপানীয়ে আহি ভূমিক মাৰিব তেতিয়াহে। ততাতৈয়াকৈ বাহ কিনি বস্তা কিনি বানপানী বন্ধ কৰাৰ কাৰণে উঠিপৰি যত্ন কৰা দেখা যায়। বাহ যদি কিনে এশ হিচাব দিব এহেজাৰৰ বস্তা যদি কিনে পঞ্চাশটা হিচাবত ধৰিব পাচ হাজাৰ। এনেকৈয়ে যোৱা ত্ৰিশ বছৰ ধৰি বানপানী নিয়ন্ত্ৰণৰ কাম চলি আহিছে। সেই কাৰণে মই বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে যিহেতু জেঠ মাহত বানপানী আহিয়েই থাকে এতেকে সেই কথা চিন্তা কৰি বৈশাগৰ ভিতৰতে যি বিলাক ঠাইত বান্ধ ভাঙি আছে সেই বিলাক বান্ধি উলিয়াবলৈ ব্যৱস্থা লব। যদি কৰা নহয় বানপানী অহাৰ পিচত ৰাতিৰ ভিতৰতে হাৰিকেন লাইট জলাই বা মেন্টেল লাইট জলাই পইচা অপচয় কৰাৰ কোনো কাৰণ নাই।

উপাধ্যক্ষ মহোদয়, কেন্দ্ৰত গ্ৰামাঞ্চল আৰু মজলীয়া উদ্যোগৰ কথা কোৱা হৈছে আৰু সেইমতে অসমতো তেনেকুৱা কিবা আচঁনি লব পাৰিলে ভাল হয়। কিন্তু এই আচঁনি বিলাক লওতে এটা কথা লক্ষ্য কৰিব লাগে যেন যি ঠাইত আচঁনিৰ প্ৰয়োজনীয় কেচা মাল আদি আছে নে নাই চাব লাগিব। এটা কথা এইখিনিতে উনুকিয়াই দিব পাৰো। হেঙেৰাবাৰীত থকা হেন্ড মেড পেপাৰ পাম্প ইন্ডাষ্ট্ৰিটো উঠাই নিয়া হল আৰু তাক নি পদুমনি নামৰ ঠাইত অবস্থান কৰা হল। এইটো সম্পূৰ্ণ ৰাজনৈতিক দৃষ্টিভংগীৰে কৰা হৈছিল। কিন্তু তাত গৈ উদ্যোগত কোনো উৎপাদন নোহোৱা হল। ইয়াতো নষ্ট হল আৰু তাতে গৈ একো নহল। টকা-পইচা বোৰ এনেয়ে নষ্ট হল। এতিয়ালৈকে পতা উদ্যোগ বোৰৰ ক্ষেত্ৰত এনেকুৱাই হৈ আছে। দেৰগাঁওত চেনীকল আৰম্ভ কৰা হল কিন্তু তাত কুহিয়াঁৰ পাবলৈ নাই। মদৰ ঘাটি নথকা হলে আমাৰ লোকচান ভৰিবলগীয়া হলহেতেন। শিলঘাটত ৰবৰ গছ কাটি জুট মিল স্থাপন

কৰা হল অথচ তাৰ ওচৰ পাজৰ এলেকাত মৰাপাট পাবলৈ নাই। ফলত যোৱা কেইবছৰত এক কোটি সাতাৰুন লাখ টকা লোকচান ভৰিবলগীয়া হল। কেচামালৰ সহজলভ্য নোহোৱা কাৰণেই লোকচানগ্ৰস্ত হবলগীয়া হৈছে। গতিকে নতুন নতুন উদ্যোগ কৰাৰ সময়ত যি যি ঠাইত উদ্যোগ কৰা হয় তাত কেচামাল, অন্য ঠাইৰ লগত যোগাযোগ পানী আদিৰ ব্যৱস্থা আছে নে নাই চাই লোৱা প্ৰয়োজন। আমি প্ৰজেক্ত ৰিপোৰ্ট কৰো। কাচাৰত এটা ইতিমধ্যে হৈছে চেনীকল আৰু এটাৰ কাৰণে কিৰলস্কাৰে প্ৰজেক্ত ৰিপৰ্ট তৈয়াৰ কৰি দিলে তাৰ কাৰণে ত্ৰিশ হাজাৰ টকা দিয়া হৈছে। সিদিনা এজন মাননীয় সদস্যই কৈছিল যে অসম চৰকাৰৰ উদ্যোগৰ ক্ষেত্ৰত লাভ দেখুৱাব পৰা নাই। কিছুদিন আগতে এজন মাননীয় সদস্যই বিধান সভাতে এভাৰেষ্ট চাইকেলৰ কথা কৈছিল। এই কোম্পানীৰ পৰা চাইকেল এখনো উলিয়াব পৰা নাই অথচ আমি দৰমহা দি থাকিবলগীয়া হৈছে। ডুগলৰ কথা কোৱা হৈছিল। দি-গল আৰু ডুগল একেই উপাধি। আনিলে সেই ডুগলক আৰু চাৰ্কিট হাউচত দুটা ৰুম দি ৰখা হল। এই ডুগল চাহাবৰ ওপৰত তদন্ত কমিচন হব লাগে। অসমৰ অৰ্থনৈতিক সমস্যা আৰু উদ্যোগৰ ক্ষেত্ৰত এই ডুগল চাহাবেই এটা বিপৰ্যয়ৰ সৃষ্টি কৰি গল। পিছে নতুন চৰকাৰ হোৱাৰ লগে লগে ভয়তে ডুগল চাহাব ইতিমধ্যে পলাল টালি-টোপোলা লৈ। কিন্তু যি কীৰ্ত্তি ৰাখি থৈ গল তাৰ বিচাৰ হব লাগিব আৰু ডুগলক অনা আৰু ইয়ালৈ আনি এই কাম কৰিবলৈ এনে সুযোগ দিয়া কাৰণে শৰত চন্দ্ৰ সিংহ ডাঙৰীয়া আৰু তেওঁৰ সহযোগী সকলৰো যদি কাৰোবাৰ হাত আছিল এই ক্ষেত্ৰত সাৰি যাবলৈ দিয়া উচিত নহব। তাৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আৰু বেছি নকওঁ মই যিখিনি কথা দাঙি ধৰিলো, শিক্ষাৰ ক্ষেত্ৰত দাঙি ধৰা এই সকলোখিনি কথাই সত্য আৰু ইয়াৰ যথোপযুক্ত ব্যৱস্থা অনতি-বিলম্বে হব লাগে বুলি মই এই সদনৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। ইয়াৰ আগতে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক কোন কোন বিভাগে কিমান কিমান টকা ঘুৰাই দিবলগীয়া হৈছে সেইটো সদস্য সকলৰ অবগতিৰ কাৰণে সদনৰ মজিয়াত দাখিল কৰাৰ কথা কোৱা হৈছিল, বোধহয় সদন ভঙাৰ আগতে পাম। গৃহ বিভাগৰ কথা মনত পৰিল মাননীয় সদস্য হিতেশ্বৰ শইকীয়া ডাঙৰীয়াক দেখি। মই বৰিহম বুলিয়েই ভাবিছিলো। তেখেতৰ অনুগ্ৰহতে আমি জেললৈ আহিছিলো। তেৰ মাহ আছিলো আৰু আমাৰ আগতে কলেজৰ অধ্যক্ষ মহোদয় আহিছিল, শিক্ষকসকল আহি-ছিল, ছাত্ৰ ছাত্ৰী আহিছিল আনকি এল-পি স্কুলৰ পণ্ডিতকো মিছাত অনা হৈছিল। সেই সকলৰ কোনোবা কোনোবাই চাকৰি পাইছে আৰু কোনো কোনোৱে এতিয়াও পোৱা নাই। চাকৰি পোৱা সকলেও বহুতেই সেই কেইমাহৰ কাৰণে দৰমহা পোৱা নাই। এইটো অতি শীঘ্ৰে কৰিব লাগে। সেই সময়ত ৩১ ধাৰাৰ দ্বাৰা অনেক কাণ্ড কৰিছিল। নিৰপৰাধী বহুত মানুহক অত্যাচাৰ কৰা হৈছিল এই বিলাক অতি সোনকালে ৰিভিউ কৰিব লাগে। প্ৰমোচনৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ বহুত জাতি, সম্প্ৰদায়ৰ নামত বহুতেই সুবিধা লোৱাৰ উপৰিও জুনিয়ৰ অফিচাৰে চিনিয়ৰ অফিচাৰক লেং মাৰি ওপৰত বহি আছে। এ-পি-এচ-চি (অসম লোকসেৱা আয়োগ) য়ে নাম খাতাং কৰা বা লিষ্টৰ এক নম্বৰত ৰখা মানুহক নমাই আনি মানুহৰ নাম দিয়াধৰণৰো কথা কাণ্ড বহুত হৈছে। সেই ভিক্টিমাইজড মানুহ খিনিৰ কাৰনে চাব লাগে আৰু অতি সোনকালে সুবিচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীচামচন্দ্ৰ হুদা ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদন শেষ হব। আমাৰ মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্তই এখন দলিলৰ কথা উল্লেখ কৰিছিল সেই দলিলৰ নকল দিয়াৰ কথা আছিল আমি এতিয়াও পোৱা নাই।

(ভইচ ঃ দিছে। আমি পাইছো।)

*শ্রীআল উদ্দিন চৰকাৰ :—মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত সাধাৰণ আলোচনা চলিছে। সমালোচনা যদিও হৈছে সেই আটাইবিলাক সমালোচনাই গঠনমূলক হৈছে। মই ভাবো যিহেতু ভূমি পৰ্য্যায়ত ইয়াৰ পিচতো আৰু আলোচনা কৰা হব সেই কাৰণে মই ভাবো সাধাৰণ ভাৱে কথা কেইটামান কৰলৈ চেষ্টা কৰাই উচিত। এইটো কথা ঠিক যে আমাৰ মাননীয় সদস্য শ্ৰীফনী মেধীয়ে ঠিক কথাই কৈছে। সেই কথাৰ পুনৰুক্তি কৰি কও যে হাউচত লেকচাৰ মাৰি থাকিলেই নহব। যি বিলাক সমষ্টিৰ পৰা আমি আহিছো। যি ঠাইৰ পৰা আমি নিবৰ্বাচিত হৈছো সেই ঠাইত মানুহে এই মুহূৰ্ত্তো কি অৱস্হাত আছে সেই কথালৈ লক্ষ্য ৰাখিব লাগিব। নতুন চৰকাৰ হোৱা কাৰণে তেওলোকে আশা-ভৰসা পূৰ্ণ হব বুলি ভাবি আছো। এইটো কবিগুৰুৰ কথাৰে কলে :

"অন্ন জোটেনা কথা জোটে মেলা
তাই নিয়ে বল এ কি ছেলে খেলা।"

আমি লৰা মানুহ হিচাবে বক্তৃতাত বিশ্বাস নকৰো কামত হে বিশ্বাস কৰো, গতিকেই বলিষ্ঠ কণ্ঠ আমি আমাৰ জনসাধাৰণৰ দাবি-দাওৱাৰ কথা এই বিধান সভাত বিভিন্ন সমষ্টিৰ পৰা আহিছোঁ। যোৱা ৩০ বছৰে শাসন চলালে কংগ্ৰেছ চৰকাৰে, এতিয়া জনতা চৰকাৰ হল, আমি দেখিছো এই পৰিবৰ্ত্তিত ভূমিকাত এটা বিপ্লবৰ সৃষ্টি হল আৰু জনতাও এটা বিপ্লব, এই বাজেটৰ পৰা আমি এতিয়া বুজি পাইছোঁ বিপ্লবৰ মাৰ্ম্মৰ্থ। বাজেটৰ ওপৰত বীৰেশ মিশ্ৰই কৈছিল যে এইটো এটা অবৈধ সন্তান। বিপ্লবৰ পটভূমিৰ কোনো কথাই আমি ইয়াত নাপালো, এই সকল লোকক মুক্তি কৰাৰ পথ পোৱা যাব বুলি আমি আশা কৰিছিলো কিন্তু যোৱা বছৰ আৰু এই বছৰৰ বাজেট চলি জাৰি চালে একেই অৱস্হা দেখা গৈছে। আগৰ চৰকাৰ গ'ল আৰু নতুন চৰকাৰ আহিল কিন্তু একেই অৱস্হা থাকিল। আমি দেখিছোঁ ৰাজ্যপালৰ ভাষনত বহু কথাই বাদ পৰি গৈছে। আগতে ওপৰত দেৱী আছিল আৰু এতিয়া কেন্দ্ৰত দেৱতা আহিল, অৱস্হা একেটাই থাকিল, নিৰ্দ্দলীয় শাসন ব্যৱস্হা আহিব বুলি ভাবিছিলো কিন্তু সেইটো নহল। আমি নিম্ন মধ্যবিত্ত পৰিয়ালৰ পৰা প্ৰতিনিধি হৈ আহিছোঁ আৰু সেয়েহে আমি ধৰ্ম্ম নিৰপেক্ষতা আৰু শ্ৰেণীবিহীন সমাজৰ এখন পৰিস্কাৰ ছবি দেখিবলৈ পাম কিন্তু সেই ছবি আমি দেখিবলৈ পোৱা নাই। অৱশ্যে জনতা পাৰ্টিয়ে কেইটামান পুৰস্কাৰ আৰম্ভনিতেই আগবঢ়োৱাৰ কাৰণে আমি ভাল পাইছোঁ যদিও সেই কথা বিলাক অলপ চিন্তা কৰিব লগীয়া। কিয়নো এই যে ১০ বিঘা মাটিলৈকে খাজনা ৰেহাই দিয়াৰ বাবত আমাৰ ৰাজ্যিক ৰাজকোষে ৭৭ লাখ টকা বছৰি হেৰুৱাব আৰু চাৰ্জচাৰ্জত যিটো ৰেহাই দিয়াৰ ব্যৱস্হা হৈছে অৰ্থাত ১৯৭২ চনৰ পৰা এই শিতানত অনাদায়ী হৈ থকা প্ৰায় ২·৪৭ কোটি টকা ৰাজ্যিক ৰাজকোষে হেৰুৱাব লগা হব আৰু দশম মান শ্ৰেণীলৈকে যিটো মাচুল ৰেহাই দিয়াৰ কথা কৈছে আৰু হস্পিতালত চাৰি অনাকৈ দিব লগা যিটো পইচা সেইটো বাহিৰাগত ৰোগী সকলক ৰেহাই দিয়া হৈছে, অৱশ্যে ইয়াৰ পৰা আমাৰ দুখীয়া লোক সকলে কিছু উপকৃত হব কিন্তু এটা কথা এই যে চাৰ্জচাৰ্জ ৰেহাই দিয়া হৈছে তাৰ পৰা কোন উপকৃত হব কিয়নো আজি যি সকল খেতিয়কৰ বা গাৱলীয়া মানুহৰ ১০ বিঘালৈকে মাটি আছে সেই সকলে খাজনা দিয়াৰ ক্ষেত্ৰত কোনো দিনাই হেমাহী কৰা দেখা নাই। তেওঁলোকৰ খাজনা আদায় দিয়াৰ কাৰণে খুব হেপাহ আন কাম বাদ দি হলেও তেওলোকে খাজনা আদায় দিয়া কামটো আগতিয়াকৈ কৰে আৰু খাজনা খিনি আদায় দিব পাৰিলে তেওলোকে মুক্তি পোৱা যেন হয়। খাজনা নিদিলে সেই ফালে ক্ৰোক কৰাৰো ব্যৱস্হা আছে, গতিকে মই সন্দেহ কৰো এই যে ১৯৭২ চনৰ পৰা চাৰ্জচাৰ্জ অনাদায়ী হৈ আছে তাত ১০ বিঘা মাটি থকা মানুহ আছে নে নাই, সেইকাৰণে এই চাৰ্জচাৰ্জ অনাদায়ী হৈ থকা লোক সকল কোন শ্ৰেণীৰ লোক অৰ্থাৎ কোন শ্ৰেণীৰ লোকে খাজনা আদায় নিদিয়াকৈ আছে তাৰ এটা পৰিসংখ্যা বাহিৰ কৰিব লাগে। তাৰ পাচত দশম মান শ্ৰেণীলৈ মাচুল খিনি ফিৰাই দিয়াৰ ব্যৱস্হা আছিল, মাত্ৰ

জেনেৰেল আৰু মুচলমান খিনিহে মাচুল ভৰিব লগীয়া হৈছিল, গতিকেই এই কিমান খিনি মুচলমান আৰু জেনেৰেল ছাত্ৰই মাচুল দিছিল তাৰ এটা হিচাব দাখিল কৰিলে ভাল হয়। তাৰ পিচত কৃষিলৈ আহো, আমাৰ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ, অসম খনো হাড়ে হিমজুৰে কৃষি প্ৰধান দেশ আৰু ই অত্যন্ত পিচপৰা ৰাজ্য আৰু আমাৰ ইয়াত সকলো কামেই লাহে লাহে হয়, সেই কাৰণেই আমাৰ গাঁৱবিলাকতো লৰা বিলাকে জানে যে 'আসাম ইজ য়ে কানট্ৰি হব লাহে লাহে' এইটো সকলোৰে মুখে মুখে।

( সময়ৰ সংকেত )

ইয়াত আমি কাৰো লগত নাই। আমিইয়াত 'ইন্দিদিপেনদেন্ট অপ জিশ্যন', কেনে দৰে কাম হয় তাৰ ওপৰত নিৰ্ভৰ কৰি কাৰ লগত মিলিব লাগিব সেইবিষয়ে পিচত চিন্তা কৰা হব।

ৰাজ্যপালৰ ভাষণত পাইছো বেনৰ পৰিকল্পনাৰ কথা। কিন্তু এই আৰ্চনি সম্পৰ্কে কেইজনমান বিশেষজ্ঞৰ মত ললো ডিফেকটিভ টেকনোলোজি এজনে কৈছে যে তেলীৰ মুৰত তেল দিয়া। যিহওক তাৰ পিচত মোৰ সমষ্টিৰ কথা কেইটামানকে কও জিৰণী সময়ত ঘৰলৈ গৈছিলো আহুখেতিৰ কাৰণে ৰাইজে এতিয়াও বীজ নিয়েই আছে আৰু যিবিলাক বীজহেনো নিলে সেইবিলাক বোলে শালিধানৰহে বীজ। এই অসুবিধা বিলাক আগমনি ব্লকৰ সকলো পঞ্চায়তে হৈছে আৰু কিমান যে অসুবিধা প্ৰথমে এচদিচি অফিছলৈ যাবলাগিব। দেখা যায় সকলো ক্ষেত্ৰতে নিশ্চিতভাবে দুনীতি সোমাই আছে। আৰু বীজ পাবলৈ বহুতদিন ৰাখিব লগীয়া হৈছে। তাৰ পিছত ফ্ৰি ট্ৰেড মানে ফ্ৰি লুটিং। শ্ৰেণী বিভক্ত সমাজ এখনত নিয়ন্ত্ৰণ নথকা কৈ কিবা হব বুলি আমি নাভাবো। সমবায় এটা উতকৃষ্ট প্ৰতিষ্ঠান। গোৱালপাৰাত সমবায়ৰ ওপৰত কৈছেই যে 'বাচাৰ উপায় সমবায় শুনৰে মানুষ ভাই', সমবায় চাৰা বাচাৰ কিন্তু উপায় নাই।

( সময়ৰ সংকেত )

তাৰ পিচত মোৰ সমষ্টিত এটা সৰু কথাৰ কাৰণেই ময়ে বিমোৰত পৰিছো। মই আপোনাৰ জৰিয়তে গড়কাপ্তানী নতুবা বান নিয়ন্ত্ৰণ মন্ত্ৰীক আবেদন কৰিব বিছাৰিছো ৩১ নং ৰাষ্ট্ৰীয় পথৰ গংগাধৰ নদীৰ যি ধৰণে গড়াখহনীয়া আৰম্ভ হৈছে, কি যে হব ভগবানে জানে। তাত ৰেলেগ দলং কৰিবলৈ চাবৰে কৰিবলৈ মাটিও নাই। মাটিবিলাক পলসুৱা মাটি ৰাইজৰ বৰ দুখ। এই সম্পৰ্কে অতি সোনকালে কিবা এটা ব্যৱস্থা লব লাগে, দৰ্খাষ্ট বিলাক মোৰ হাততে আছে কি কৰিব লাগে দিহাই পোৱা নাই।

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটোত আগতে যিজন বিধান সভাৰ সদস্য আছিল তেওঁক বিধবা এম এল এ বুলিয়ে মাতিছিল। আচলতে সেই সমষ্টিটোত বিধবাৰ এটা ডাঙৰ সমস্যা। তাত দেষ্টিটিউট হোম খুলিবলৈ মাটি বিছাৰি থকা হৈছে। এইটো এটা বৰ ডাঙৰ সমস্যা। আমাৰ মাননীয় সদস্য স-ৰুক্ষেত্ৰীৰ ঠিকেই কৈছে যে ভিক্ষাৰীৰ এটা তদন্ত হব লাগে। এই অঞ্চলত ভিক্ষাৰীৰ সংখ্যাও বেছি। কিছুমান মানুহে পানবাৰী কেম্পৰ পৰা গুৱাহাটীত আহি ভিক্ষা কৰি খাইছে। তেওলোকৰ খবৰ লওটা মানুহ নাই। গতিকে মই নিজেই কব পাৰো মই এখন ক্ষুধাৰ ৰাজ্যৰ পৰা আহিছো।

( সময়ৰ সংকেত )

ভূমি সংস্কাৰৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী মহোদায় নিজে কৈছে যে এইটো এটা বিস্ফোৰণ হবলগীয়া সমস্যা। মোৰ অঞ্চলতে খেদ মজদুৰে মাটি পোৱা নাই। নিৰ্বাচনৰ আগ মুহূৰ্তত এই বিষয়ে বহুত যুদ্ধই কৰিবলগীয়া হৈছিল। সেই অঞ্চলত এতিয়াও নথিভূক্ত নোহোৱা ৰায়ত বহুত আছে। এম এন পিত মাটি দিলে কিন্তু তালৈ মানুহ নগল।

মাননীয় অধ্যক্ষ :—এটা ঘোষণা আছে। অৰ্থ মন্ত্ৰীয়ে এটা বিবৃতি দিব আৰু তাৰ পিচত ওবিচাৰি ৰিফাৰেঞ্চ আছে গতিকে হাউচ আৰু পাচ মিনিটমান বেছিকৈ বহিব লাগিব। কাৰোবাৰ কিবা আপত্তি আছে নেকি ? (সকলোৱে সম্মতি দিয়ে)

*Shri Keshab Chandra Gogoi (Minister):— Mr. Speaker, sir, the total amount surrendered during 1977-78 is Rs. 21.41 crores, out of which approximately Rs. 5 crores were reallocated/reappropriated and another amount of Rs. 5 crores earmarked for meeting overdraft liabilities. Therefore, the actual surrender comes to about Rs. 11.43 crores. This statement of surrender is only provisional as complete report has not yet been received.

## ANNOUNCEMENT BY SPEAKER

* **Mr. Speaker:** Here is an announcement. I hereby inform the House that five political parties, namely, Indian National Congress, C. P. I. (M) Indian National Congress (I), C.P.I. and R.C.P.I. have intimated that Sarbashree Sarat Chandra Sinha, Hemen Das, Syeda Anowara Taimur, Promode Gogoi and Khagen Borbaruah have been elected respectively as the Leaders of these Legislative Parties. I find taht the Indian National Congress is the largest Opposition Party having a strength of 24 members and it fulfils all the requirements, viz.,

(i) it has announced at the time of general election a distinct ideology and programe of parliamentary work:

(ii) it has an organisation both inside and outside the House; and

(iii) it has a strength equal to the quorum fixed to constitute a sitting of the House,

For recognising its Leader as a Leader of the Opposition

Accordingly, in pursuance of Rule 2 (P) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I recognise Shri Sarat Chandra Sinha as the Leader of the Opposition.

The leaders of four orther parties mentioned above will function as the Leaders of the respective Legislature party. I would also like to inform the House that five independent members, namely Sarbasree Premodhar Bora, Atul Chandra Goswami, Sirajul Haque, Ramesh Chandra Saharia and Afazuddin Ahmed formed a front known as "Progressive Democratic Front" with Shri Premodhar Bora as its Leader and they have requested me to recognise this Group. Since this Front is formed by purely unattached members having different ideologies, I grant them the nomenclature of a group for the sake of convenience. They will be allocated time in proportion to the number of members to enable them to participate in the business of the House.

I have another announcement to make. I have to announce that I nominate Shri Phani Medhi as one of the members of the Employment Review Committee in place of Shri Mathius Tudu who has declined to be a member of the Employment Review Committee due to personal reasons.

Now obituary reference. Chief Minister.

---

*Speech not corrected

*Shri Golap Borbora (Chief Minister)—Mr. Speaker, Sir, with your kind permission I rise to make obituary reference to the death of Pandit Hriday Nath Kunzru, one of India's leading statesman and erudite scholar and liberal politician. Born in 1887, Pandit Kunzru was educated at Agra College from where he graduated in Science. Later he studied in London School of Economics and then Heidelberg University. He was a close associate of Pandit Madan Mohan Mala vyy a and contributed a lot for establishment and development of Benaras Hindu University.

He entered public life at his early age and joined the Servant of India Society under the inspiration of Gokhale and it was through this society, he mainly worked in public life. He was an elected member of Uttar Pradesh Legislative Council from 1921 to 1925. and of the Central Assembly from 1927 to 1930. Pandit Kunzae represented India in several international conferences and was also a member of the Govt. of India deputation sent to Malaya to inquire into the conditions of the Indians there. A member of the Constituent Assembly and Provisional Parliament, he was a member of the Rajya Sabha from 1952 to 1957.

Pandit Kunzru was Chairman of Indian School of International Studies and President of the Indian Council of World Affairs. A member of the University Grants Commission and the States' Reorganisation Commission, he was Chairman of the Railway Enquiry Committee constituted in 1966. He was one of the founders of Bharat Scouts and Guides movenent.

A man of independent spirit, pandit Kunzru would always be remembered as person of startling character. In his death, the country has lost an eminent public figure and his death has caued irreparable loss to the nation. I hope, the Hon'ble Members of this August House will join with me in paying our respectful homage to the departed sould of this great man.

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ—মাননীয় অধ্যক্ষ মহোদয়, পৰাধীন ভাৰতত যদিও বা আমি বহুক্ষেত্ৰত বঞ্চিত হৈ আছিলোঁ কিন্তু তেতিয়াও এই ভাৰতবৰ্ষতে পাণ্ডিত্যপূৰ্ণ জীৱনৰ বহুতো লোকে আন্তৰ্জাতিক ক্ষেত্ৰত বিভিন্ন দিশত নিজৰ ব্যক্তিত্বৰ প্ৰকাশ কৰিব পাৰিছিল। তেনেকুৱা এজন পণ্ডিতেই আছিল এইছ, এন, কুণ্ড্ৰো। তেখেত বিভিন্ন বিষয়ত নিজৰ জীৱন নিয়োগ কৰিছিল আৰু সেই কাৰণেই চৰকাৰী আৰু বেচৰকাৰী পৰ্য্যায়ত তেখেতৰ অবদান আমি এই ভাৰতবৰ্ষৰ জাতীয় জীৱনৰ বহুক্ষেত্ৰত দেখিবলৈ পাইছিলোঁ। বিশেষকৈ আইনজ্ঞ হিচাবে আৰু ভাৰতীয় ৰাজনীতিত 'লিবাৰেল' মতবাদ প্ৰকাশ কৰা ব্যক্তি হিচাবে তেখেতৰ অবদান কেতিয়াও পাহৰিব নোৱাৰি। শিক্ষা জগতত, সমাজত ন্যায় প্ৰতিষ্ঠা কৰাৰ যোগেদি আৰু ভাৰতক মহান জাতি হিচাবে গঢ়ি তোলাৰ ক্ষেত্ৰত তেখেতৰ অবদান ভাৰতবৰ্ষৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব। তেখেতৰ মৃত্যুত আমাৰ দেশে এজন মহান পুৰুষ হেৰুৱালে। তেখেতৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ আৰু আমাৰ দলৰ ফালৰ পৰা তেখেতৰ শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ আৰু ভাৰতীয় জীৱনত তেখেতৰ অনুগামী সকললৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

*Mr. Speaker:— I associate myself with the feelings and sentiments expressed. by the Hon'ble members of the House on the demise of Pandit Hridaynath Kunzru.

---

*Speech not Correted

Shri Kunzru was a man of great public images and erudeit Scholar. He attended many International Conferences as an Indian delegate. He was a member of U. P. Legislative Council from 1921 to 1925 and of the Central Assembly from 1927 to 1930. As far as I remember he was a member of the Provisional Parliament also. He was the president of the Servants of India Society and Indian Council of World Affairs. He was a member of States Re-organisation Commission in 1953. As a member of different bodies, he made significant contributions to the deliberations. The eminent scholar passed away on 3rd April 1978 due to heart attack.

Now I request the hon'ble members to rise in their seats for one minute and pay our homage to the departed soul.

(The Members stood in silence for one minute)

The House stands adjourned sine die.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

Dated Dispur:
The 4th April, 1978.

AGP. (L.A.) 1386/78—1,250—13-9-80